আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, FEBRUARY 28, 2024>> 10 PM **www.newsnextone.com**ৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬২ Guwahati, Assam ।। মূল্যঃ এটকা


## ১২ জনৰো অধিক লোক হতাহত হোৱাৰ আশংকা

# ঝাৰখণ্ডৰ জামতাৰাত ৰেল দুৰ্ঘটনা

**ৰাঁচী, ২৮ ফেব্ৰুৱাৰীঃ** দেশত আকৌ সংঘটিত হৈছে ৰেল দুৰ্ঘটনা। প্ৰাপ্ত খবৰ অনুযায়ী বুধবাৰে নিশা ঝাৰখণ্ডৰ জামতাৰা জিলাৰ এক ভয়াৱহ ৰে'ল দুৰ্ঘটনা সংঘটিত হয়। জামতাৰা আৰু বিদ্যাসাগৰ ষ্টেচনৰ মাজত এই ঘটনা সংঘটিত হোৱাৰ খবৰ পোৱা গৈছে। জানিব পৰা মতে



তীব্ৰ বেগী এখন ৰে'লে কেইবাজনো লোকক মহতিয়াই নিয়ে। স্থানীয় সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি মতে, এই দুৰ্ঘটনাত অতি কমেও ১২ জন লোক নিহত হৈছে। অৱশ্যে ৰে'ল বিভাগে এই বাতৰি যুগুতোৱা পৰলৈকে ২ জন লোকৰ মৃত্যু হোৱাতো নিশ্চিত কৰিছে। শেষাংশ ২ পৃষ্ঠাত

## ৩৩০০ কেজি ড্ৰাগছ নাৱেৰে আনি থাকোতেই নৌসেনাৰ অভিযান

# গুজৰাটত জব্দ ২০০০ কোটিৰ ড্ৰাগছ



আহমেদাবাদ, ২৮ ফেব্ৰুৱাৰীঃ **সমুদ্ৰৰ বুকুৰে পাকিস্তানৰ পৰা ভাৰতলৈ সৰবৰাহৰ সময়তে মঙলবাৰে ভাৰতীয় নৌসেনাই গুজৰাটৰ সাগৰ তীৰত এখন নাৱৰ পৰা জব্দ কৰিবলৈ সক্ষম হয়** শেষাংশ ৩ পৃষ্ঠাত


## মোদীক ক্লীনশ্বিট দিয়া ন্যায়াধীশক লোকপালৰ অধ্যক্ষ নিযুক্তি

**নতুন দিল্লী, ২৮ ফেব্ৰুৱাৰীঃ** ২০০২ চনৰ গুজৰাট হিংসাৰ গোচৰত সেই সময়ৰ মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদীক ক্লীনশ্বিট প্ৰদান কৰা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ এ এম খানৱিলকাৰক দেশৰ নতুন লোকপাল অধ্যক্ষ হিচাপে নিযুক্তি প্ৰদান কৰিছে ৰাষ্ট্ৰপতি শেষাংশ ২ পৃষ্ঠাত

## 'ন্যায় যাত্ৰা' বিফল কৰিবলৈ ৰাণা গোস্বামীয়ে খৰছ কৰিছিল ধন

### বিজেপিত যোগদানৰ শুভ লগ্ন ৪ মাৰ্চ

**ই-সংবাদ, ২৮ ফেব্ৰুৱাৰীঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ পাছৰে পৰা মুখ্যমন্ত্ৰীৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি চলিছিল কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাণা গোস্বামীয়ে। ৰাণা গোস্বামীয়ে বিজেপি গমনৰ লগে লগে এই কথাসমূহ ক্ৰমে পোহৰলৈ আহিবলৈ ধৰিছে। কেৱল মুখ্যমন্ত্ৰীৰ সৈতে শেষাংশ ৫ পৃষ্ঠাত



## ক'লা 'কা' বলৱৎ হ'লেই অসম বন্ধ!

**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰীঃ** বিৰোধী ঐক্য মঞ্চৰ ১৬টা ৰাজনৈতিক দলৰ আজি এক গুৰুত্বপূৰ্ণ বৈঠকত অসমত 'কা' আইন প্ৰযোজ্য হোৱাৰ বিৰুদ্ধে শেষাংশ ২ পৃষ্ঠাত

## নিৰ্মীয়মান ফ্লাইঅভাৰ খহি ১জন নিহত

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৮ ফেব্ৰুৱাৰীঃ** ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ প্ৰাধিকাৰীৰ ঠিকাদাৰৰ চূড়ান্ত গাফিলতিৰ বাবে বাইহাটা চাৰিআলিত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত বুধবাৰে সংঘটিত হয় এক ভয়ংকৰ অঘটন। শেষাংশ ৬ পৃষ্ঠাত

## চিবিআইৰ নতুন টাৰ্গেট অখিলেশ

**লক্ষ্ণৌ, ২৮ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে সক্ৰিয় হৈছে ইডি, চিবিআই, আয়কৰ বিভাগৰ দৰে কেন্দ্ৰীয় সংস্থাসমূহ। বিৰোধীক দুৰ্বল কৰাৰ অভিপ্ৰায়েৰে কেন্দ্ৰীয় সংস্থাসমূহৰ শেষাংশ ৩ পৃষ্ঠাত


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঝাৰখণ্ডৰ জামতাৰাত

প্ৰাথমিক তথ্য অনুসৰি, বাংগালুৰু-যশৱন্তপুৰ এক্সপ্ৰেছ ডাউন লাইনেৰে গৈ আছিল। হঠাতে ধূলি উৰাত চালকজনে ৰে'লখনত জুই লগা বুলি অনুমান কৰি ৰে'লখন ৰখাই দিয়ে। ৰে'লখন ৰখাই দিয়াত বহু যাত্ৰী ৰে'লৰ পৰা নামিবলৈ লয়। সেই সময়তে সমীপৰ ট্ৰেকৰে আহি থকা তীব্ৰবেগী ইএমইউ ৰেলখনে বহু যাত্ৰীক মহতিয়াই নিয়ে। ফলত বহু লোক ঘটনাস্থলীতে নিহত হোৱাৰ আশংকা কৰা হৈছে। ঘটনাৰ খবৰ পোৱা মাত্ৰকে উদ্ধাৰকাৰী দল উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। অৱশ্যে অন্ধকাৰৰ বাবে প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা নিৰ্ধাৰণ কৰিব পৰা নাই প্ৰশাসনে। অন্ধকাৰৰ কাৰণে উদ্ধাৰ অভিযানো বিলম্বিত হৈছে। বিদ্যাসাগৰ ৰে'ল শাখাৰ কালঝাৰিয়াৰ ওচৰত এই কাণ্ড সংঘটিত হৈছে। ইফালে, ৰে'ল বিভাগে জুই লগাৰ আশংকা কৰি চালকে ৰে'ল ৰখাই দিয়াৰ কথা অস্বীকাৰ কৰিছে। ৰে'ল বিভাগে সংবাদ মাধ্যমৰ আগত কয় যে অবৈধভাৱে ৰে'ললাইন পাৰ হ'বলৈ লোৱা লোককহে তীব্ৰবেগী ৰে'লখনে মহতিয়াই নিছে।




■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীক ক্লীনশ্বিট দিয়া

দ্ৰৌপদী মুৰ্মুৱে। মঙলবাৰে ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ে এক প্ৰেছ বিজ্ঞপ্তি জাৰি কৰি লোকপালৰ আন ছয়গৰাকী সদস্যৰ নিযুক্তিৰ লগতে ন্যায়াধীশ খানৱিলকাৰক অধ্যক্ষ হিচাপে নিযুক্তি প্ৰদানৰ কথা প্ৰকাশ কৰে। ন্যায়াধীশ খানৱিলকাৰৰ উপৰিও হিমাচল প্ৰদেশ আৰু কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ লিংগাপ্পা স্বামী, এলাহাবাদ উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ সঞ্জয় যাদৱ আৰু কৰ্ণাটক আৰু এলাহাবাদ উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ ঋতুৰাজ অৱস্থীক এই সমিতিত ন্যায়িক সদস্য হিচাপে নিযুক্তি প্ৰদান কৰা হয়। তদুপৰি অসামৰিক সেৱাৰ প্ৰাক্তন বিষয়া সুশীল চন্দ্ৰ, পংকজ কুমাৰ আৰু অজয় তিৰ্কিকো লোকপালৰ অন্যায়িকসদস্য হিচাপে নিযুক্তি প্ৰদান কৰে ৰাষ্ট্ৰপতিয়ে। উল্লেখ্য যে, কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ অভিযোগৰ তদন্তৰ ক্ষমতা থাকে লোকপালৰ ওচৰত। এই প্ৰতিষ্ঠানটোৰ প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী, সাংসদ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিষয়াৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্তৰ কৰ্তৃত্ব আছে। ২০১৩ চনত গৃহীত হৈছিল লোকপাল আইন। এটা পেনেলৰ পৰামৰ্শ মতে ৰাষ্ট্ৰপতিয়ে লোকপালক নিযুক্তি দিয়ে। এই পেনেলৰ অধ্যক্ষ হৈছে প্ৰধানমন্ত্ৰী। পেনেলৰ আন সদস্যসকল হ'ল লোকসভাৰ অধ্যক্ষ, বিৰোধী দলৰ নেতা আৰু উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বা তেওঁৰ দ্বাৰা মনোনীত ন্যায়াধীশ। প্ৰণিধানযোগ্য যে, ২০১৬ চনৰ পৰা ২০২২ চনলৈ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল ন্যায়াধীশ খানৱিলকাৰে। এই সময়ছোৱাত তেওঁ কেইবাটাও গুৰুত্বপূৰ্ণ সাংবিধানিক সিদ্ধান্ত প্ৰদান কৰা ন্যায়ালয়ৰ বিচাৰপীঠৰ অংশ আছিল। সমকামিতাক অপৰাধমুক্ত কৰাৰ সিদ্ধান্তৰ লগতে আধাৰৰ যোগ্যতাক লৈ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰো অংশ আছিল ন্যায়াধীশ খানৱিলকাৰ। ইয়াৰোপৰি ২০০২ চনৰ গুজৰাট সংঘৰ্ষত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ক্লিন চিট দিয়া বিচাৰপীঠৰো অংশ আছিল তেওঁ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'কা' বলৱৎ হ'লেই অসম

কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। অসমৰ ৰাজ্যপালৰ জৰিয়তে কাইলৈ এখন স্মাৰক পত্ৰ দেশৰ ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰিব ১৬টা বিৰোধী দলৰ নেতৃত্বই। বিৰোধী ঐক্যমঞ্চৰ সভাৰ সিদ্ধান্ত অনুসৰি অসমত 'কা' আইন বলৱৎ হ'লে সমগ্ৰ ৰাজ্যজুৰি ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ গঢ়ি তোলা হ'ব আৰু সংবিধান বিৰোধী, সাম্প্ৰদায়িক এই আইনৰ বিৰুদ্ধে বিৰোধী ঐক্য মঞ্চই অসম বন্ধৰ কাৰ্যসূচী ঘোষণা কৰিব। আইন প্ৰযোজ্য হোৱাৰ পিছদিনাই অসম বন্ধ ঘোষণা কৰাৰ লগতে পৰ্যায়ক্ৰমে এই আইনৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলা হ'ব আৰু জনতা ভৱন ঘেৰাও কৰি ৰাজ্যৰ প্ৰশাসনিক কাম-কাজ স্তব্ধ কৰি দিয়া হ'ব। আজিৰ সভাই অসমৰ সকলো দল-সংগঠন, জাতি-জনগোষ্ঠী, সাহিত্যিক, চিন্তাবিদ, সাংস্কৃতিক কৰ্মী, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে অসমপ্ৰেমী সকলো নাগৰিকক 'কা' আইনৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ আহ্বান জনায়। গুৱাহাটীৰ হোটেল লিলিত অনুষ্ঠিত ১৬ টা দলৰ তিনিজনকৈ প্ৰতিনিধিৰ এক বৈঠকৰ পিছতে সংবাদমেল সম্বোধন কৰে বিৰোধী ঐক্য মঞ্চৰ সভাপতি ভূপেন কুমাৰ বৰা, সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈ আৰু মুখ্য মুখপাত্ৰ অখিল গগৈয়ে। সংবাদমেলত তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰা, আম আদমী পাৰ্টীৰ অসমৰ ৰাজ্যিক সভাপতি ডাঃ ভৱেন চৌধুৰী, এপিএইছএলচিৰ জন ইংতি কাথাৰ, চিপিএমৰ ইছফাকুৰ ৰহমান, পিএলপিৰ চৰণ ডেকা, সমাজবাদী দলৰ আব্দুল আজিজ, এনচিপিৰ (শাৰদ পাৱাৰ) পৰেশ বৰুৱা, ফৰৱাৰ্ড ব্লকৰ মিহিৰ নন্দীকে ধৰি বহুকেইজন জ্যেষ্ঠ নেতা উপস্থিত থাকে। সভাৰ সিদ্ধান্ত অনুযায়ী কাইলৈ পুৱা ১০ বজাত অসমৰ ৰাজ্যপালক 'কা' আইন প্ৰযোজ্য নকৰাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰা হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুজৰাটত জব্দ ২০০০ কোটিৰ

৩৩০০ কিলোগ্ৰাম ড্ৰাগছ। পাকিস্তানৰ পৰা ভাৰতলৈ সৰবৰাহ কৰা এই বৃহৎ পৰিমাণৰ ড্ৰাগছখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য হৈছে প্ৰায় দুই হাজাৰ কোটি টকা। নৌসেনাৰ লগতে নাৰ্কটিকছ কণ্ট্ৰ'ল ব্যুৰো (এনচিবি) আৰু গুজৰাটৰ এণ্টি টেৰৰিষ্ট স্কোয়াডে এই ড্ৰাগছখিনি জব্দ কৰিবলৈ সক্ষম হয়। এই অভিযান সন্দৰ্ভত তথ্য প্ৰদান কৰি নৌসেনাই এক্স হেণ্ডেলত লিখিছে, 'নৌসেনাই নাৰ্কটিকছ কণ্ট্ৰ'ল ব্যুৰোৰ সহযোগত ৩২৭২ কিলোগ্ৰাম নিষিদ্ধ ড্ৰাগছ (৩০৮৯ কিলোগ্ৰাম হাছিছ, ১৫৮ কিলোগ্ৰাম মেথামফেটামাইন আৰু ২৫ কিলোগ্ৰাম মৰ্ফিন) কঢ়িয়াই অনা এখন সন্দেহজনক নাও জব্দ কৰিছে। শেহতীয়া সময়ত পৰিমাণৰ ফালৰ পৰা এইটোৱেই হৈছে সৰ্বাধিক নিচাজাতীয় সামগ্ৰীৰ জব্দ।" ইফালে ড্ৰাগছ সৰবৰাহ কৰা নাওখনৰ পৰা ৫ জন লোককো গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত সৰবৰাহকাৰী কেইজন পাকিস্তানী নাগৰিক বুলি সন্দেহ কৰা হৈছে। পৰৱৰ্তী সময়ত লোক কেইজনক পোৰবন্দৰলৈ আনি নিৰাপত্তা সংস্থাক গতাই দিয়া হয়। উল্লেখ্য যে, নাওখনৰ পৰা জব্দ কৰা ড্ৰাগছৰ ওপৰত লিখা আছিল 'মেড ইন পাকিস্তান'। এই নাওখনৰ বিষয়ে নৌসেনাই বিশেষ সূত্ৰই জানিব পৰাৰ পিছতে অঞ্চলটোত টহল দি থকা এখন নৌসেনাৰ জাহাজে ড্ৰাগছখিনি জব্দ কৰে। জব্দকৃত এই ড্ৰাগছখিনিৰ আন্তৰ্জাতিক বজাৰত বজাৰমূল্য প্ৰায় ২০০০ কোটি টকাতকৈয়ো অধিক হ'ব বুলি জানিব পৰা গৈছে। আনফালে এই সাফল্যৰ পিছতে গৃহমন্ত্ৰী অমিত শ্বাহে নৌসেনা, এনচিবি আৰু গুজৰাট এটিএছক এই সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ কয় যে এই সফলতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিছামুক্ত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে আমাৰ চৰকাৰৰ অটল দায়বদ্ধতাৰ প্ৰমাণ। এই নাওখনৰ লগতে ইয়াৰ পৰা গ্ৰেপ্তাৰ কৰা ৫জন ব্যক্তিৰ তদন্ত এতিয়াও অব্যাহত আছে। নিৰাপত্তা সংস্থাসমূহে এই ড্ৰাগছ কোনে পঠিয়াইছিল আৰু ভাৰতলৈ সৰবৰাহৰ সময়ত কোনে তেওঁলোকক সহায় কৰিছিল সেই কথা জানিবলৈ চেষ্টা কৰিছে। প্ৰণিধানযোগ্য যে, বিগত দুবছৰত এন চি বিয়ে ভাৰতীয় নৌসেনাৰ সহযোগত তিনিটাকৈ অভিযান চলাইছে। ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত গুজৰাটৰ উপকূলৰ পৰা ২২১ কেজি মেথামফেটামাইন জব্দ কৰা হৈছিল। ইয়াৰ পিছত ২০২২ চনৰ অক্টোবৰ মাহত কেৰালাৰ উপকূলৰ পৰা ২০০ কেজি হাই গ্ৰেড হেৰ'ইন জব্দ কৰা হয়। বিগত বৰ্ষৰ মে' মাহত এনচিবিয়ে পাকিস্তানৰ পৰা অহা জাহাজৰ পৰা ১২০০০ কোটিৰ ২৫০০ কেজি মেথামফেটামাইন জব্দ কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চিবিআইৰ নতুন টাৰ্গেট অখিলেশ

অপপ্ৰয়োগৰ অভিযোগৰ মাজতে এইবাৰ উত্তৰ প্ৰদেশৰ বিৰোধী দলক লক্ষ্য কৰ লৈছে চিবিআয়ে৷ উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিৰোধী দলপতি অখিলেশ সিং যাদৱক চমন প্ৰদান কৰিছে চিবিআয়ে। খনন কেলেংকাৰীত সাক্ষী হিচাপে সোধা-পোছাৰ বাবে চিআৰপিচিৰ ধাৰা ১৬০ৰ অধীনত চমন জাৰি কৰিছে চিবিআয়ে। ২১ ফেব্ৰুৱাৰীত জাৰি কৰা চমনৰ জৰিয়তে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীক ২৯ ফেব্ৰুৱাৰীত চিবিআইৰ দিল্লীস্থ কাৰ্যালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে, ২০১২-২০১৬ চনৰ ভিতৰত হামিৰপুৰত অবৈধ খননৰ অভিযোগৰ সৈতে জড়িত ২০১৯ চনৰ জানুৱাৰী মাহত দাখিল কৰা চিবিআইৰ গোচৰত চমন জাৰি কৰা হৈছে অখিলেশ যাদৱক। ২০১৯ চনৰ জানুৱাৰী মাহত তেতিয়াৰ জিলা দণ্ডাধীশ, খনি বিষয়া আদিকে ধৰি কেইবাজনো ৰাজহুৱাকৰ্মচাৰীৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছিল। এজাহাৰ মতে, চৰকাৰী কৰ্মচাৰীয়ে হামিৰপুৰত অবৈধ খনিজ খননৰ অনুমতি প্ৰদান কৰিছিল। অবৈধ খনন গোচৰৰ তদন্ত কৰি থকা চিবিআইৰ দলে দাবী কৰিছিল যে ২০১৯ বৰ্ষত অখিলেশ যাদৱ যেতিয়া মুখ্যমন্ত্ৰী আছিল৷ তেতিয়া তেওঁৰ কাৰ্যালয়ে এদিনতে ১৩টা খনন পট্টাত অনুমোদন জনাইছিল। অখিলেশ যাদৱেও কিছুদিন ধৰি খনন বিভাগত অধিষ্ঠিত হৈ ১৪টা খনন পট্টাত অনুমোদন জনাইছিল৷ ইয়াৰে ১৩টাত ১৭ ফেব্ৰুৱাৰীত অনুমোদন জনোৱা বুলি চিবিআইয়ে জনাইছিল। ই-টেণ্ডাৰ প্ৰক্ৰিয়া উলংঘা কৰি এই কাম কৰা হৈছিল বুলি অভিযোগত উল্লেখ কৰিছে চিবিআইয়ে। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে দাবী কৰা মতে, ২০১২ চনৰ ই-টেণ্ডাৰ নীতি উলংঘা কৰি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা অনুমোদন লাভ কৰি যোৱা ১৭ ফেব্ৰুৱাৰীত হামিৰপুৰ জিলা দণ্ডাধীশ বি চন্দ্ৰকলাই খনন পট্টা প্ৰদান কৰিছিল। সেই নীতিত ২০১৩ চনৰ ২৯ জানুৱাৰীত এলাহাবাদ উচ্চ ন্যায়ালয়ে অনুমোদন জনাইছিল। প্ৰণিধানযোগ্য যে, ২০২৪ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে যেন বিপদ বৃদ্ধি পাইছে অখেলশ যাদৱৰ সমাজবাদী পাৰ্টীৰ ওপৰত। মঙলবাৰে উত্তৰ প্ৰদেশৰ ১০ খন ৰাজ্যসভাৰ আসনৰ বাবে অনুষ্ঠিত নিৰ্বাচনত সমাজবাদী পাৰ্টিৰ ৮ গৰাকী বিধায়কে ক্ৰছ ভোটিং কৰি বিজেপি প্ৰাৰ্থীক সমৰ্থন জনায়। সমাজবাদী পাৰ্টীয়ে সমাগত লোকসভা নিৰ্বাচনত উত্তৰ প্ৰদেশত ইণ্ডিয়া মিত্ৰজোঁটৰ অংশ হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি আসন ভাগ-বতৰা কৰাৰ ঠিক পিছতে দলৰ ভিতৰচ'ৰাত আৰম্ভ হোৱা এই বিসম্বাদে দলটোৰ ভেটি দুৰ্বল কৰি তুলিব বুলি আশংকা ব্যক্ত কৰিছে বহুতে।

# ভাৰতীয় ৰাজনীতিত 'নোটা' ভোটৰ প্ৰয়োজন আছেনে?

মৃত্তিকা পৰাশৰ

**ভাৰতৰ নিৰ্বাচনী** ৰাজনীতিৰ পথাৰত এক নীৰৱ কণ্ঠ প্ৰতিটো নিৰ্বাচন পাৰ হোৱাৰ লগে লগে যেন ক্ৰমান্বয়ে মুৰ দাঙি উঠিবলৈ সক্ষম হৈছে। শ্লোগান বা ইস্তাহাৰৰ পৰা বঞ্চিত এই কণ্ঠটোৱেই হৈছে 'ন'ন অৱ দ্য এবভ' (NOTA) বিকল্পৰ। ২০১৩ চনত উচ্চতম ন্যায়ালয়ে প্ৰৱৰ্তন কৰা নোটা ব্যৱস্থাই ভাৰতৰ গণতান্ত্ৰিক অনুশীলনত এক নীৰৱ অথচ শক্তিশালী কণ্ঠ হিচাপে ইতিমধ্যে আত্মপ্ৰকাশ ঘটাবলৈ সমৰ্থ হৈছে। যদিও নিৰ্বাচনৰ ফলাফলত এই কণ্ঠৰ কোনো ভূমিকা নাই, তথাপি এই কণ্ঠ সেইসকল ভোটাৰৰ প্ৰতীক হিচাপে প্ৰতিফলিত হৈছে যাৰ দলীয় ৰাজনীতিৰ প্ৰতি মোহভংগ ঘটে বা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীজন ভোটাৰৰ পছন্দৰ নহয়। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা সকলো প্ৰাৰ্থীয়েই সেই সমষ্টিৰ সকলো ভোটাৰৰ পছন্দৰ নহ'বও পাৰে। সেই প্ৰাৰ্থীজনৰ ব্যক্তিত্ব, আচৰণ বা তেওঁ প্ৰাৰ্থিত্ব আগবঢ়োৱা দলটোৰ সৈতে কোনো ভোটাৰৰ মতানৈক্য থাকিবও পাৰে। এনে পৰিপ্ৰেক্ষিততে ভাৰতৰ নিৰ্বাচনী ৰাজনীতিত ২০১৩ চনত প্ৰথমবাৰৰ বাবে সংযোজন কৰা হৈছিল এটা বিশেষ বিকল্প। উচ্চতম ন্যায়ালয়ে প্ৰৱৰ্তন কৰা সেই বিকল্পটোৱেই আছিল 'ন'ন অৱ দ্য এবভ' চমুকৈ (NOTA)। অৰ্থাৎ ওপৰৰ কোনো জনেই নহয়। আদালতৰ মতে উপলব্ধ প্ৰাৰ্থীক লৈ অসন্তুষ্ট নাগৰিকে নিজৰ মতানৈক্য বেলট বাকচ বা ইভিএমত পঞ্জীয়ন কৰাৰ অধিকাৰ থাকিব লাগে। এনে পৰিপ্ৰেক্ষিতত নোটা তেনে ভোটাৰৰ মতানৈক্যৰ চিহ্ন হৈ পৰে। বছৰ বছৰ ধৰি ভোটাৰৰ মোহভংগ জুখিবলৈ নোটা এক প্ৰভাৱশালী কাৰক হিচাপে ব্যৱহৃত হৈছে।

নিৰ্বাচনত নোটাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিবলৈ হ'লে এই কথা জনাটো খুবেই প্ৰয়োজন যে ভাৰতত দৰাচলতে কিহৰ ভিত্তিত নিজৰ নেতাক বাছনি কৰে। এই বিষয়টো অনুধাৱন কৰিলে এটা কথা স্পষ্ট হৈ পৰে ভাৰতৰ ৰাজনীতিত এজন নেতাৰ ব্যক্তিত্ব, জনপ্ৰিয়তা, তেওঁৰ দল আৰু তেওঁ সমাজলৈ আগবঢ়োৱা অৱদানে মূলতঃ সেই নেতাগৰাকীৰ নিৰ্বাচনী ফলাফল নিৰ্ধাৰণ কৰে। ৰাজনীতিত জনপ্ৰিয়তা অন্যতম গুৰুত্বপূৰ্ণ আহিলা। যিমানেই জনপ্ৰিয় হ'ব, সিমানেই ভোটাৰৰ ওচৰ চাপিবলৈ সক্ষম হ'ব। আৰু সিমানেই নিৰ্বাচনতো ভাল প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হ'ব। এনে কাৰণতে ৰাজনীতিত অভিনেতা, কলা-কুশলী আৰু অন্য ক্ষেত্ৰৰ সৈতে জড়িত সুপৰিচিত ব্যক্তিৰ পয়োভৰ দেখিবলৈ পোৱা যায়। শত্ৰুঘ্ন সিনহা, হেমা মালিনীৰ পৰা ছানী দেউল, ৰবি কিষাণলৈকে জনপ্ৰিয়তাৰ আলম লৈ নিৰ্বাচনত অৱতীৰ্ণ হৈ জয়লাভ কৰা অনেক চেলিব্ৰেটী নেতাৰে ভৰি আছে দেশৰ ৰাজনীতি। কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়েও জনপ্ৰিয় হোৱাৰ সুযোগ লৈয়ে ৰাজনীতিত প্ৰৱেশ কৰিছিল আৰু ৰাজনীতিৰ পথাৰত নিজৰ ভাগ্যোদয় ঘটাবলৈ সক্ষম হৈছিল। ৰাজনীতিত কেৱল জনপ্ৰিয় হ'লেই নহ'ব, ব্যক্তিত্ব থাকিলেহে নিৰ্বাচনী ৰণত ভোট লাভ কৰিবলৈ সক্ষম হ'ব। এজন নেতাৰ কথন শৈলী, চাল-চলন, আচাৰ ব্যৱহাৰ আদিয়ে বিশেষভাৱে ভোটাৰক আকৃষ্ট কৰে। নিজৰ ব্যক্তিত্বৰ জৰিয়তে ভোটাৰক নিজৰ সৈতে সংপৃক্ত কৰিব পাৰিলেই সেয়া নেতাৰ বাবে সাফল্য। ২০১৪ চনত সমগ্ৰ দেশ নৰেন্দ্ৰ মোদীৰ ব্যক্তিত্বৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁৰ কথনশৈলী, তেওঁৰ দুঃসহ অতীত জীৱনৰ কাহিনীয়ে ভোটাৰক তেওঁৰ প্ৰতি আকৰ্ষিত কৰিছিল। যাৰ পৰিণামস্বৰূপে ২০১৪ৰ লোকসভা নিৰ্বাচনত সমগ্ৰ দেশ বিজেপিমুখী হৈ পৰিছিল। একেদৰেই কংগ্ৰেছ নেতা ৰাহুল গান্ধীক 'পাপ্পু' সম্বোধন কৰি তেওঁৰ ব্যক্তিত্বক অৱনমিত ঘটাই ভোটাৰৰ দৃষ্টিত তেওঁক হেয় কৰি তোলা হৈছিল। এই কথা প্ৰায়ে শুনা যায় যে অমুকটো সমষ্টি কংগ্ৰেছৰ দুৰ্গ, তমুকটো সমষ্টি বিজেপিৰ কিলা। বা এইদৰেও শুনা যায় যে অমুকটো সম্প্ৰদায়ে কেৱল অমুক দলকহে ভোট দিয়ে, তমুকটো সম্প্ৰদায়ৰ ভোট তমুকটো দলেহে পায়। এনে হোৱাৰ একমাত্ৰ কাৰণেই হৈছে সেই সমষ্টি বা অঞ্চলটোত এটা নিৰ্দিষ্ট ৰাজনৈতিক দলৰ থকা প্ৰভাৱ। যাক পৰাম্পৰাগত ভোট বেংক বুলিও ৰাজনৈতিক ভাষাত কোৱা শুনা যায়। সেই অঞ্চল বা সমষ্টিৰ অধিকাংশ ভোটাৰে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি এটা নিৰ্দিষ্ট দলৰ প্ৰতিয়েই আনুগত্য প্ৰকাশ কৰি আহে। তেনে সমষ্টি বা অঞ্চলত প্ৰাৰ্থীৰ প্ৰভাৱতকৈ দলৰ প্ৰভাৱ অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। যাৰ বাবে প্ৰাৰ্থী যি নহ'লেও তেনে সমষ্টিত এটা নিৰ্দিষ্ট দলে জয়লাভ কৰাটো সহজ হৈ পৰে।

যদিও দেশৰ নিৰ্বাচনী ৰাজনীতিত NOTA ই কোনো ফলাফলত কোনো প্ৰভাৱ পেলোৱা নাই (সৰ্বাধিক ভোট পোৱা প্ৰাৰ্থীয়ে এতিয়াও জয়ী হয়, যদিও NOTA-এ সংখ্যাগৰিষ্ঠতা লাভ কৰে), তথাপি ইয়াৰ উপস্থিতিয়ে এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰে। বছৰ বছৰ ধৰি কেইবাটাও সমষ্টিত উল্লেখযোগ্য সংখ্যক নোটা ভোটৰ সাক্ষী হৈ আহিছে, আনকি কেতিয়াবা কিছুমান মূলসুঁতিৰ ৰাজনৈতিক দলে লাভ কৰা ভোটকো অতিক্ৰম কৰিছে। ইয়াৰ জৰিয়তে ৰাজনৈতিক দলসমূহক আত্মনিৰীক্ষণ, প্ৰাৰ্থী নিৰ্বাচন, আৰু শক্তিশালী নীতিগত কাঠামোৰ প্ৰয়োজনীয়তাৰ প্ৰতি দায়বদ্ধ কৰি তুলিব পৰা যায়। ৰাজনৈতিক মোহভংগকাৰীসকলৰ বাবে নোটাই বেৰ'মিটাৰ হিচাপে কাম কৰে। ভোটাৰসকলে যে চাই আছে, উন্নত পছন্দৰ দাবী জনাইছে, আৰু নিজৰ অসন্মতি প্ৰকাশ কৰিবলৈ ভয় নকৰে, সেই কথা স্বীকাৰ কৰাটো দলসমূহৰ বাবে এক সংকেত ধ্বনিসদৃশ। ২০১৫ চনৰ বিহাৰ বিধানসভা নিৰ্বাচনত নোটা গণনাই কিছুমান বিশেষ প্ৰাৰ্থীৰ পৰাজয়ৰ ভোটৰ ব্যৱধান অতিক্ৰম কৰি কঠোৰ প্ৰতিদ্বন্দ্বিতা কৰা আসনত ইয়াৰ গেম চেঞ্জাৰ হোৱাৰ সম্ভাৱনাৰ ইংগিত দিছিল। একেদৰে ২০১৭ চনৰ গুজৰাট বিধানসভা নিৰ্বাচনত নোটাই ৫ লাখৰো অধিক ভোট (মুঠ ভোটৰ ১.৮%) লাভ কৰিছিল, যিয়ে ভোটাৰৰ অসন্তুষ্টি স্পষ্ট কৰি তুলিছিল। ২০১৯ৰ লোকসভা নিৰ্বানত ৰাষ্ট্ৰীয় পৰ্যায়ত নোটাৰ ভোটৰ পৰিমাণ আছিল ৬৫ লাখ। কেৱল জনবহুল উত্তৰ প্ৰদেশৰ ২০টা সমষ্টিত বিজয়ৰ ব্যৱধানতকৈ অধিক ভোট লাভ কৰে নোটাই। উল্লেখ্য যে NOTA কেৱল প্ৰতীকী নহয়; ইয়াৰ আয়তনে ৰাজনৈতিক দল সমূহলৈ শক্তিশালী সংকেত প্ৰেৰণ কৰিব পাৰে।

সমগ্ৰ দেশৰ লগতে এতিয়া অসমতো বৃদ্ধি পাইছে নোটাৰ প্ৰভাৱ। ২০২১ৰ বিধানসভা নিৰ্বাচনত সমগ্ৰ ৰাজ্যৰ প্ৰায় ২ লাখ ভোটাৰে নোটাত ভোট দিয়া পৰিলক্ষিত হৈছিল। এয়া আছিল ৰাজ্যখনৰ মুঠ ভোটাৰৰ প্ৰায় ১.৩ শতাংশ। অসমত নোটা ভোটৰ সংখ্যা বৃদ্ধি পোৱাৰ কাৰণ কেইবাটাও বুলি ৰাজনৈতিক বিশেষজ্ঞ সকলে দাবী কৰে। এই কাৰণসমূহৰ অন্যতম এটা হৈছে নাগৰিকত্ব সংশোধনী আইনক লৈ হোৱা প্ৰতিবাদ। ইয়াৰোপৰিও স্থানীয় অসন্তুষ্টি, বিভিন্ন স্বেচ্ছাসেৱী সংগঠনে চলোৱা প্ৰচাৰ আদি বিভিন্ন বিষয় আছিল নোটা ভোট বৃদ্ধিৰ কাৰক। নোটাৰ প্ৰতীকী শক্তি অনস্বীকাৰ্য হ'লেও ইয়াৰ ব্যৱহাৰিক প্ৰভাৱৰ ওপৰত বিতৰ্ক অব্যাহত আছে। কিছুমানে অধিক স্পষ্ট প্ৰভাৱৰ বাবে যুক্তি আগবঢ়াই কয় যে যদিহে নোটাই সংখ্যাগৰিষ্ঠতা লাভ কৰে তেন্তে প্ৰাৰ্থীৰ সৈতে পুনৰ নিৰ্বাচন আহ্বান কৰা উচিত। এনে সংস্কাৰে দলসমূহক নিজৰ ৰাজনৈতিক সুবিধাতকৈ মানুহৰ পছন্দ আৰু প্ৰয়োজনীয়তাক অগ্ৰাধিকাৰ দিবলৈ বাধ্য কৰি তোলাৰ সম্ভাৱনা আছে। গণতন্ত্ৰ হৈছে জনতাৰ ইচ্ছাৰ প্ৰতিফলন। ভাৰতীয় ৰাজনৈতিক বৰ্ণালীৰ বিকাশৰ লগে লগে ইয়াৰ ভোটাৰসকলো বিকশিত হৈ আহিছে। NOTA বিকল্প কেৱল উপলব্ধ বিকল্পৰ বিৰুদ্ধে ভোট দিয়া নহয়, বৰঞ্চ অধিক উপযুক্ত প্ৰতিনিধিত্বৰ বাবে কৰা আবেদন। দেশৰ অগ্ৰগতিৰ লগে লগে অনাগত দিনত ভাৰতীয় গণতন্ত্ৰৰ স্থিতিও গঢ় দিয়াত নোটাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাটো অনিবাৰ্য।

■ সম্পাদকীয় ■

বুধবাৰ,
২৮ ফেব্ৰুৱাৰী, ২০২৪।।
নিশা ১০ বজা

## তথ্যৰ বিভ্ৰান্তি

দেশত দৰিদ্ৰ সীমাৰেখাৰ সংখ্যা ৫ শতাংশলৈ হ্ৰাস পাইছে। অৰ্থাৎ ৭ কোটি লোক এতিয়া ভাৰতত দুখীয়া শ্ৰেণীত পৰে। নেশ্যনেল ছেম্প'ল ছাৰ্ভে অফিছ চমুকৈ এনএছএছঅ'ৰ প্ৰতিবেদনত এই তথ্য প্ৰকাশ হৈছে। এই তথ্য যদি সত্য হয় তেতিয়াহ'লে ৮০ কোটি লোকক বিনামূলীয়া ৰেচন দিয়া হৈছে কিয়? খাদ্য সুৰক্ষা আইনৰ অধীনত দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকক বিপিএল কাৰ্ডৰ যোগেদি ৰেচন দিয়া হয়। নীতি আয়োগৰ শেহতীয়া তথ্য মতে দেশত দৰিদ্ৰ লোকৰ সংখ্যা কমিছে। কিন্তু ইয়াৰ বিপৰীতে চৰকাৰে ৮০ কোটি লোকক ৰেচন দিয়াৰ ব্যৱস্থা কৰিছে। অৰ্থাৎ প্ৰকৃত গৰীবৰ সংখ্যা ৮০ কোটিলৈ বৃদ্ধি পাইছে। এনএছএছঅ'ৰ তথ্য অনুসৰি গ্ৰামাঞ্চলত বসবাস কৰা ৫ শতাংশ অৰ্থাৎ ৭ কোটি লোকৰ দৈনিক উপাৰ্জন মাত্ৰ ৪৬ টকা। এই ৪৬ টকাৰে গাঁৱৰ লোকে ভাত-কাপোৰ, ঔষধ আৰু অন্যান্য সেৱাৰ ব্যৱস্থা কৰিব লাগে। গ্ৰামাঞ্চলৰ লোকতকৈ চহৰ অঞ্চলৰ লোকে ৮ গুণ অধিক খৰছ কৰে। তথ্য অনুযায়ী দেশৰ ৩৫ কোটি লোকৰ এখন চাইকেলো নাই। ৪৫ কোটি লোকৰ ঘৰত টেলিভিছন নাই। দৈনিক ক্ৰয় ক্ষমতা হ্ৰাস পাইছে আৰু আয়োগৰ তথ্য মতে দৰিদ্ৰৰ সংখ্যক লৈ ভিন্নতা দেখা গৈছে। তথ্যৰ বিভ্ৰান্তি ঘটাই চৰকাৰে ভোটাৰ ৰাইজক বিপথে পৰিচালিত কৰিব বিচাৰিছে। এইখন দেশত ২০২২ বৰ্ষত ৭ হাজাৰ লোকে দৰিদ্ৰতাৰ কবলত পৰি আত্মহননৰ পথ বাচি লৈছিল। প্ৰতিঘণ্টাত ২ জনকৈ কৃষকে জীৱনৰ প্ৰতি মোহ হেৰুৱাই চিৰদিনৰ বাবে নোহোৱা হৈ গৈছে। প্ৰতিদিনে ৪০ জনকৈ নৱ-প্ৰজন্মৰ লোকে জীৱন আশা হেৰুৱাই নেদেখা দেশলৈ গুচি যায়। ইয়াৰ পিছতো সবকে সাথ সবকা বিকাশ বুলি ক'লে সহজতে পতিয়ন যাবলৈ সচেতন লোকসকলৰ কষ্ট হোৱাটোৱেই স্বাভাৱিক।



'কা'ৰ বিৰুদ্ধে গুৱাহাটীত লিলি হোটেলত বিৰোধী ঐক্য মঞ্চৰ বৈঠক, বুধবাৰে

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ন্যায় যাত্ৰা' বিফল কৰিবলৈ

সু-সম্পৰ্ক ৰক্ষা কৰাই নহয়, ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত মুখ্যমন্ত্ৰীৰ নিৰ্দেশত কাম কৰাৰ অভিযোগো উঠিছে৷ ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত শিৱসাগৰত যাত্ৰা বিৰোধী পোষ্টাৰ লগোৱা হৈছিল৷ পোষ্টাৰসমূহ যাতে কংগ্ৰেছৰ লোকে আতৰাব নোৱাৰে, তাৰ বাবে আৰক্ষীয়ে পহৰা দিছিল৷ পোষ্টাৰ পহৰা দিয়াৰ ব্যৱস্থা ৰাণা গোস্বামীয়ে কৰা বুলি কংগ্ৰেছৰ এটা সূত্ৰই প্ৰকাশ কৰিছে৷ কংগ্ৰেছ নেতাসকলৰ বিৰুদ্ধে যোৰহাটত ৰুজু হোৱা গোচৰৰ আঁৰতো ৰাণা গোস্বামী জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে৷ কংগ্ৰেছৰ নাম প্ৰকাশত অনিচ্ছুক এগৰাকী নেতাই কয় যে ৰাণা গোস্বামীৰ টকাৰ অভাৱ নাছিল৷ কংগ্ৰেছৰ বাবে খৰছ কৰিছিল৷ কিন্তু ন্যায় যাত্ৰাৰ সময়ত তেখেতৰ আচল ছবি ওলাই পৰিছিল৷ ভাৰত জোড়ো ন্যায় যাত্ৰা গুৱাহাটীত প্ৰৱেশ কৰাৰ সময়ত বিফল কৰিবলৈ প্ৰয়াস কৰা মানুহজনেই হৈছে ৰাণা গোস্বামী৷ ন্যায় যাত্ৰাৰ বিশেষ দায়িত্বত থকাৰ পাছতো যাত্ৰাক লৈ গোস্বামীৰ নাছিল কোনো তৎপৰতা। বিৰোধীত থাকিও আৰ্থিক অৱস্থা টনকীয়াল হৈ আছিল ৰাণা গোস্বামীৰ৷ মুখ্যমন্ত্ৰীৰ পৰা শকত ধন লাভ কৰি কংগ্ৰেছৰ বাবেও খৰছ কৰিছিল৷ যাতে তেওঁৰ স্থিতি কাৰোৰে নজৰত পৰিব নোৱাৰে৷ কংগ্ৰেছত কিছু টকা-পইছা খৰছ কৰি কংগ্ৰেছৰ খাচ মানুহ হৈ আছিল৷ আনহাতে, মুখ্যমন্ত্ৰীৰ খাচ মানুহ হৈ কংগ্ৰেছৰ ভিতৰচ'ৰাত থাকি মুখ্যমন্ত্ৰীৰ হৈ কাম কৰি আছিল৷ এনেকৈয়ে দ্বৈত চৰিত্ৰত অভিনয় কৰাৰ থকাৰ অভিযোগ এতিয়া বহু কংগ্ৰেছীয়ে উত্থাপন কৰিব ধৰিছে৷ কোৱা বাহুল্য যে, কংগ্ৰেছৰ বহু নেতাই বিৰোধীৰ ধৰ্ম পালন কৰিবলৈ ৰাজী নহয়৷ কিয়নো ক্ষমতাৰ সোৱাদৰ বাহিৰে বিৰোধীত থাকি জনগণৰ আৱাজক প্ৰতিনিধিত্ব কৰাত বিফল হৈছে কংগ্ৰেছ৷ অসমৰ শীৰ্ষ বহু কংগ্ৰেছ নেতাই বিজেপি নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত কাম কৰি থকাৰ কথা এতিয়া গোপন হৈ থকা নাই৷ ইতিপূৰ্বে সুশান্ত বুঢ়াগোহাঁই, ৰূপজ্যোতি কুৰ্মী, শশীকান্ত দাস, বসন্ত দাস, কমলাক্ষ দে' পুৰকায়স্থ, অংকিতা দত্ত, বিস্মিতা গগৈ আৰু শেহতীয়াকৈ ৰাণা গোস্বামীৰ নাম পোহৰলৈ আহিছে৷ ৰাণা গোস্বামীয়ে বিজেপিত যোগদান কৰাৰ পাছতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হৈ কাম কৰা দুই এক নেতা কংগ্ৰেছ দলত থাকি যাব৷ যিসকলৰ শৰীৰটো থাকিব কংগ্ৰেছত, মন-প্ৰাণ থাকিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে৷ এনেকৈয়ে এতিয়া অসমত বিৰোধী ৰাজনীতি চলিছে৷ অগণন সমস্যা থকাৰ পাছতো বিৰোধীয়ে সেই সমস্যাসমূহক ৰাইজৰ মাজলৈ নি সজাগতা বৃদ্ধি কৰিব পৰা নাই বুলিয়েই ক'ব পাৰি৷ ইফালে, বিজেপিত যোগদানৰ জল্পনা-কল্পনাৰ অন্তত আজি কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি আৰু প্ৰাথমিক সদস্যৰ পৰা পদত্যাগ কৰিছে জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাণা গোস্বামীয়ে৷ উজনি অসমৰ সাংগঠনিক ভাৰপ্ৰাপ্ত দায়িত্ব এৰাৰ পাছতে সমূলি কংগ্ৰেছ দল ত্যাগৰ ঘোষণা কৰিছে৷ এআইচিচিৰ সাধাৰণ সম্পাদক কে.চি বেণুগোপাল, অসম কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিং আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক পদত্যাগ পত্ৰ প্ৰদান কৰে। আজি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে.পি নাড্ডাক সাক্ষাৎ কৰিছে গোস্বামীয়ে। লগ্ন অনুযায়ী ৰাণা গোস্বামীয়ে ৪ মাৰ্চৰ পুৱা ১১ বাজি ৩০ মিনিটলৈ শুভ সময় নিৰ্ধাৰণ কৰা হৈছে৷ সেই অনুযায়ীয়ে বিজেপিত যোগদানৰ সম্ভাৱনা আছে। গণনা কৰি এই দিনটো নিৰ্ধাৰণ কৰিছে ৰাণ গোস্বামীয়ে৷ পদত্যাগ পত্ৰত ৰাজনৈতিক কাৰণত দল এৰা বুলি উল্লেখ কৰিছে গোস্বামীয়ে।

## বিক্ৰমাদিত্য সিঙৰ পদত্যাগ পত্ৰ প্ৰত্যাহাৰ

# হিমাচলত চৰকাৰ বচাবলৈ কংগ্ৰেছৰ যুঁজ!

**চিমলা, ২৮ ফেব্ৰুৱাৰীঃ** হিমাচল প্ৰদেশত এখন ৰাজ্যসভা আসনৰ বাবে অনুষ্ঠিত নিৰ্বাচনত ক্ৰছ ভোটিংৰ ফলত উদ্ভৱ হোৱা ৰাজনৈতিক ধুমুহা বৰ্তমানেও অব্যাহত আছে। কংগ্ৰেছ চৰকাৰৰ সংকট অব্যাহত আছে। কংগ্ৰেছৰ ৬ বিধায়কে ক্ৰছ ভোটদান কৰাত কংগ্ৰেছ প্ৰাৰ্থী অভিষেক মনু সিংভি পৰাজিত হয়। বিজেপি প্ৰাৰ্থী হৰ্ষ মহাজন জয়ী হয়। হিমাচল প্ৰদেশত ৬৮ খন বিধানসভা আসন আছে। কংগ্ৰেছৰ হাতত ৪০, বিজেপিৰ হাতত ২৫ আৰু তিনি নিৰ্দলীয় বিধায়ক আছে। বিজেপিয়ে সদনত কংগ্ৰেছৰ আস্থাভোট অনুষ্ঠিত কৰাৰ দাবীৰ মাজতে আজি পুৱা বিধানসভাৰ অধ্যক্ষৰ কক্ষত হৈ-হাল্লা কৰাৰ অপৰাধত বিজেপিৰ বিৰোধী দলপতিসহ ১৫ বিধায়ক বহিস্কৃত হয়। তাৰ পাছতে যুৱ নেতা তথা মন্ত্ৰী বিক্ৰমাদিত্য সিঙে মন্ত্ৰী পদ ত্যাগ কৰে। কংগ্ৰেছৰ প্ৰয়াত প্ৰভাৱশালী নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী বীৰভদ্ৰ সিঙৰ মৃত্যুৰ পাছতে পুত্ৰ বিক্ৰমাদিত্য সিং ৰাজনীতিত সক্ৰিয় হয়। কিন্তু আজি হঠাতে বিক্ৰমাদিত্যই মন্ত্ৰী পদ ত্যাগ কৰাত তীব্ৰ আলোড়নৰ সৃষ্টি হয়। কিয়নো বিক্ৰমাদিত্যৰ পিতৃ আছিল তিনিবাৰৰ মুখ্যমন্ত্ৰী আৰু মাতৃ বৰ্তমানেও হিমাচল প্ৰদেশ কংগ্ৰেছৰ সভানেত্ৰী। কিন্তু দলৰ জ্যেষ্ঠ নেতাসকলৰ বুজনিত পুৱা পদত্যাগ কৰা বিক্ৰমাদিত্য সিঙে সন্ধিয়া নিজৰ পদত্যাগ ওভতাই লোৱাত সুখু চৰকাৰে স্বস্তিৰ নিশ্বাস এৰিছে। তাৰ লগতে মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং চুখুৱে পদত্যাগ কৰিব বুলি খবৰ প্ৰকাশ পায়। অৱশ্যে, পদত্যাগৰ বাতৰিক উৰাবাতৰি বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং চুখুৱে। ইফালে, পৰ্যবেক্ষক ডি.কে শিৱকুমাৰ আৰু ভূপিন্দৰ সিং হুডা কংগ্ৰেছৰ সকলো বিধায়কৰ সৈতে কথা পাতিবলৈ আৰু চিমলাত উপস্থিত হয়। চিমলাত উপস্থিত হোৱা কংগ্ৰেছৰ ছয় বিদ্ৰোহী বিধায়কে সংবাদ মাধ্যমৰ সৈতে কয় যে আমি বিজেপিৰ সৈতে আছো। দলৰ ভিতৰত অন্যায়ৰ সন্মুখীন হোৱাৰ অভিযোগ তুলি পদত্যাগ পত্ৰ দাখিল কৰিছিল বিক্ৰমাদিত্য সিঙে। একে সময়তে তেওঁৰ পিতৃ তথা প্ৰাক্তন মুখ্যমন্ত্ৰী বীৰভদ্ৰ সিঙৰ মৃত্যুৰ পিছত দলৰ ভিতৰত লোৱা কিছু সিদ্ধান্তকো সমালোচনা কৰে বিক্ৰমাদিত্য সিঙে। তেওঁ অভিযোগ কৰে যে তেওঁৰ পিতৃৰ বিয়োগৰ পিছত দলৰ ভিতৰত তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰা হৈছে। ইফালে বিক্ৰমাদিত্য সিঙৰ পদত্যাগৰ পিছতে হিমাচল প্ৰদেশৰ কংগ্ৰেছৰ চৰকাৰত ধুমুহা নামে। যাৰ বাবে কংগ্ৰেছৰ ৰাজ্যিক আৰু কেন্দ্ৰীয় নেতৃত্বই তেওঁৰ পদত্যাগ ওভতাই ল'বলৈ উঠিপৰি লাগে। ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়েও বিক্ৰমাদিত্য সিঙৰ সৈতে কথা পাতি তেওঁৰ পদত্যাগ প্ৰত্যাহাৰ কৰিবলৈ পতিয়ন নিয়ায়। তেওঁৰ অভিযোগক গুৰুত্বসহকাৰে লৈ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও আশ্বাস দিয়ে খাৰ্গেয়ে। যাৰ বাবে সন্ধিয়া পদত্যাগৰ সিদ্ধান্ত প্ৰত্যাহাৰৰ কথা ঘোষণা কৰে বিক্ৰমাদিত্য সিঙে। দলটোক শক্তিশালী কৰি ৰখাটো প্ৰতিজন কৰ্মীৰে দায়িত্ব। দলৰ বাবেই মই মোৰ পদত্যাগ পত্ৰ ওভতাই লৈছো।' আনহাতে হিমাচল প্ৰদেশৰ কংগ্ৰেছ চৰকাৰৰ ওপৰত কোনো সংশয় নাই বুলি দাবী কৰি বিক্ৰমাদিত্য সিঙে কয় যে এয়া কেৱল মাথো অপপ্ৰচাৰহে।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

## নিৰ্মীয়মান ফ্লাইঅভাৰ খহি

নিৰ্মীয়মান উৰণীয়া সেঁতুত আজি পুৱাৰ ভাগত সংঘটিত হয় এই অঘটন। যাৰ ফলত এজন পথচাৰীয়ে শোকাৱহভাৱে ঘটনাস্থলীতে মৃত্যুক সাবতি ল'বলগীয়া হয়। নিহত লোকজনক তামুলপুৰ জিলাৰ ৰঙিয়াৰ সমীপৱৰ্তী খন্দিকৰৰ ফুলচান্দ আলী বুলি জানিব পৰা গৈছে। এই দুৰ্ঘটনাৰ পিছতে ৰাষ্ট্ৰীয় ঘাইপথটো সম্পূৰ্ণৰূপে বন্ধ হৈ বৃহৎ যান-জঁটৰ সৃষ্টি হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, বৃহৎ আকাৰৰ পকীৰ গাৰ্ডাৰসমূহ ক্ৰেনৰ সহায়ত কালি উৰণীয়া সেঁতুখনৰ ওপৰভাগত তোলা হৈছিল। আজি পুৱাৰ ভাগত শ্ৰমিকসকলে কাম কৰিবলৈ লওতে গাৰ্ডাৰত লগাই থোৱা কাঠৰ গুটকা ভাঙি বৃহৎ আকাৰৰ গাৰ্ডাৰটো তললৈ খহি পৰে। সেই সময়ত উৰণীয়া সেঁতুৰ তলেৰে পাৰ হ'বলৈ ধৰা বাদাম ব্যৱসায় কৰা ফুলচান্দৰ দেহৰ ওপৰতে গাৰ্ডাৰটো পৰি যায়। মুহূৰ্ততে ব্যক্তি জনৰ দেহ চুৰ্ণবিচুৰ্ণ হৈ পৰে। ইফালে স্থানীয় ৰাইজে অভিযোগ কৰামতে সেঁতু নিৰ্মাণৰ দায়িত্বত থকা সংস্থাটোৱে বিপদজনক ভাবে কাম কৰি থকাৰ বাবে এনেধৰণৰ মৰ্মান্তিক ঘটনাটো সংঘটিত হৈছে। ঘটনাৰ পিচতে ঘটনাস্থলীত অসম আৰক্ষীৰ যুতীয়া সঞ্চালক পাৰ্থ সাঁৰথি মহন্ত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। ইফালে এই ঘটনাক তীব্ৰভাৱে গৰিহণা দি নিৰ্মাণৰ দায়িত্বত থকা নিৰ্মল বিল্ড নামৰ সংস্থাটোৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লবলৈ দাবী জনাইছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে। পৰিষদৰ কামৰূপ(গ্ৰাম্য) জিলাৰ আহ্বায়ক জাষ্টিং আমিন চৌধুৰীয়ে এক বিবৃতিযোগে নিহত ফুলচান্দৰ পৰিয়ালক সাহায্য প্ৰদানৰ বাবেও ৰাজ্য চৰকাৰক আহ্বান জনায়। আজিৰ এই দুৰ্ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## সাজু কংগ্ৰেছ! মেঘালয়ৰ দুখন লোকসভা আসনৰ প্ৰাৰ্থীৰ নাম ঘোষণা

**শ্বিলং, ২৮ ফেব্ৰুৱাৰীঃ** সমাগত লোকসভা নিৰ্বাচনৰ বাবে কঁকালত টঙালি বান্ধিছে কংগ্ৰেছে। মেঘালয়ৰ দুখন লোকসভা আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰি বুধবাৰে উত্তৰ-পূবৰ ৰাজ্যখনত নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰে কংগ্ৰেছে। আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যখনৰ শ্বিলং আৰু টুৰা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে কংগ্ৰেছে। বুধবাৰে কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্বই ঘোষণা কৰা অনুসৰি, এইবাৰ শ্বিলং সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব ভিনচেণ্ট পালাই। আনহাতে তুৰা আসনত প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে ছালেং এ চাংমাক। উল্লেখ্য যে, বিগত লোকসভা নিৰ্বাচনত মেঘালয়ত এখন আসন কংগ্ৰেছে দখল কৰাৰ বিপৰীতে আনখন আসনত জয়লাভ কৰিছিল এন পি পিৰ প্ৰাৰ্থী। ইফালে এইবাৰ ইণ্ডিয়া মিত্ৰজোঁটৰ অধীনত ৰাজ্যখনত কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছে সহযোগিতামূলক প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি চৰ্চা চলিছিল যদিও শেহতীয়াকৈ দুয়োটা দলে পৃথকে পৃথকে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ ঘোষণা কৰে। ইয়াৰ পিছতে আজি দুই প্ৰাৰ্থীৰ নাম ঘোষণা কৰে কংগ্ৰেছে।



ৰিলায়েন্স টাউন শ্বিপত বিবাহপূৰ্ব অনুষ্ঠানত মুকেশ আম্বানীৰ বোৱাৰী ৰাধিকা মাৰ্চেণ্টে

# প্ৰদ্যুতৰ বিজেপিত যোগদানৰ খবৰ ভুৱা

**ই সংবাদ, ২৮ফেব্ৰুৱাৰীঃ** শীঘ্ৰে বিজেপি দলত যোগদান কৰিব বুলি প্ৰকাশ হৈ থকা খবৰক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে নগাঁৱৰ কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। এনে খবৰক উৰা বাতৰি আখ্যা দি বিজেপিত যোগদানৰ খবৰক খাৰিজ কৰিছে। নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কংগ্ৰেছতে থকাৰ কথা নিশ্চিত কৰি খবৰক ভিত্তিহীন আখ্যা দিয়ে। এনে অনুমান কৰাৰ পৰাও বিৰত থাকিবলৈ বিভিন্ন পক্ষক আহ্বান জনায়। উল্লেখ্য যে, অসম প্ৰদেশত ব্যাপক বিসম্বাদ হোৱাৰ অভিযোগ উঠি আহিছে। কেইবাগৰাকী নেতাই দল এৰি বিজেপিলৈ গৈছে। তাৰ মাজতে প্ৰদ্যুৎ বৰদলৈয়ে নগাঁৱত প্ৰাৰ্থীত্ব নাপায় বুলি চৰ্চা হৈছে। ৰকিবুল হুছেইনে গৌৰৱ গগৈক নগাঁও সমষ্টিত টিকট প্ৰদানৰ বাবে ৰাষ্ট্ৰীয় নেতৃত্বক আহ্বান জনোৱা বুলি খবৰ প্ৰকাশ পাই আহিছে। যাৰ ফলত প্ৰদ্যুৎ বৰদলৈয়ে নগাঁৱত টিকট লাভৰ পৰা বঞ্চিত হোৱাৰ চৰ্চা হৈছে। আনহাতে একাংশ সংবাদমাধ্যমে বিজেপিত যোগদান কৰিব বুলি খবৰ প্ৰকাশ কৰিছে। এই খবৰক লৈ আজি মুখ খুলিছে প্ৰদ্যুৎ বৰদলৈয়ে।

# ভেলৌগুৰিত জাল নোট চপোৱা মেচিন উদ্ধাৰ

ই-সংবাদ, ২৮ ফেব্ৰুৱাৰী, মৈৰাবাৰীঃ মৰিগাঁও জিলাৰ ভেলৌগুৰি আৰক্ষীয়ে এক অভিযান চলাই জাল চপোৱা মেচিন আৰু জাল নোট উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মেচিনৰ সৈতে দুজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এক বিশেষ খবৰৰ ভিত্তিত ভেলৌগুৰি আৰক্ষীয়ে উলুবাৰীৰ হাহচৰা গাঁৱত অভিযান চলায়। শোণিতপুৰৰ বৈতামাৰি আৰু জামুগুৰি গাঁৱৰ ছাবিৰুল ইছলাম (৩২) আৰু ৰাজিকুল আলিক (৩৬) গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। দুয়োজনৰ পৰা ভেলৌগুৰি আৰক্ষীয়ে নকল নোট চপোৱা মেচিন, নকল টকা, দুটা মোবাইল ফোন আৰু বহু সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে আৰক্ষীয়ে মৰিগাঁও জিলা আদালতত হাজিৰ কৰোৱাত আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। মৈৰাবাৰীৰ উলুবাৰী, লাহৰিঘাট, ভেলৌগুৰি, সাহচৰা আদি অঞ্চলত নকল টকাৰ ব্যৱসায় চলি অহাৰ অভিযোগ দীৰ্ঘদিনীয়া।

## বিজেপি মূল প্ৰতিদ্বন্দ্বী হ'ব বুলি দাবী আশ্ৰাফুলৰ

# নগাঁও সমষ্টিত হঠাৎ তৎপৰ ইউডিএফ

**ই-সংবাদ, নগাঁও, ২৮ ফেব্ৰুৱাৰীঃ** নগাঁও লোকসভা সমষ্টিত কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী মিত্ৰজোঁটত আউল লগাবলৈ সাজু হৈছে ইউডিএফ দল। সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিক লৈ অহা নগাঁও লোকসভা সমষ্টিত ইউডিএফ দল সক্ৰিয় হোৱাত বিৰোধী ঐক্যৰ প্ৰাৰ্থীক যে ইউডিএফে বিপদত পেলাব সেয়া সহজেই অনুমেয়। ইপিনে বিজেপিয়ে নগাঁও সমষ্টি যিকোনো প্ৰকাৰে নিজৰ অধীনলৈ নিব খোজে। বিজেপিয়ে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। ইউডিএফ দলে যেন বিজেপিৰ বাট মোকলাই দিব নগাঁও সমষ্টিত। কিয়নো ভোটৰ অংক মতে, ইউডিএফৰ প্ৰাৰ্থীয়ে যদি ১ লাখ ভোটো লাভ কৰে তেন্তে কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীজন পৰাজিত হোৱাটো খাতাং। তাৰ মাজতে আজি নগাঁও লোকসভা সমষ্টি ইউডিএফে নিৰ্বাচনী প্ৰচাৰ চলায়। নগাঁও লোকসভা সমষ্টিৰ প্ৰাৰ্থী আমিনুল ইছলামৰ হৈ দলটোৰ চেঙা সমষ্টি ৰ বিধায়ক আশ্ৰাফুল হুছেইনে প্ৰচাৰ চলায়। বিধায়কজনে কয় যে নগাঁও লোকসভা সমষ্টি এইবাৰ ইউডিএফে নিশ্চিতভাৱে দখল কৰিব। স্বাধীনতাৰ পাছৰে পৰা লোকসভা সমষ্টিত এজনো ধৰ্মীয় সংখ্যালঘু প্ৰাৰ্থী বিজয়ী হোৱা নাই। এইবাৰ ৬৬ শতাংশ ধৰ্মীয় সংখ্যালঘুৰ ভোটাৰেৰে সমষ্টিটো গঠন হৈছে। সেয়ে আমিনুল ইছলাম নিশ্চিতভাৱে বিজয়ী হ'ব। কংগ্ৰেছৰে প্ৰতিদ্বন্দ্বিতা নহয় বুলি মন্তব্য কৰি বিধায়কজনে কয় যে নিৰ্বাচনী যুঁজ বিজেপিৰ লগতহে হ'ব।কাৰণ কংগ্ৰেছৰ বিধায়কসকল বিজেপিলৈ গৈছে। তেওঁলোক বিক্ৰী হৈছে। তেওঁলোকৰ ভৰিৰ তলত মাটি নাই। নগাঁও লোকসভা সমষ্টিৰ লগতে কৰিমগঞ্জ আৰু ধুবুৰী ইউ ডিএফে দখল কৰিব বুলি দাবী কৰে হুছেইনে।



১২টা লোকসভা সমষ্টিৰ সম্ভাব্য প্ৰাৰ্থী তালিকা লৈ দিল্লীলৈ উৰা মাৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

# খুমটাইৰ জ্ঞানদ্বীপ উঃমাঃ বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন

**ই-সংবাদ, খুমটাই, ২৮ ফেব্ৰুৱাৰীঃ** আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস। দেশজুৰি পালন কৰা হয় ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোলাঘাটৰ খুমটাইৰ জ্ঞানদ্বীপ উচ্চ মাধ্যমিক বিদ্যালয়ত আজি বিজ্ঞান দিৱস পালন কৰা হয়। বিদ্যালয়খনৰ বিজ্ঞানাগাৰক ব্যতিক্ৰম ৰূপত সজাই-পৰাই তোলে। বিজ্ঞানভিত্তিক প্ৰাচীৰ পত্ৰিকা, তথ্যপুথিকে ধৰি বিজ্ঞানাগাৰত আকৰ্ষনীয় সমল মজুত কৰে। পেলনীয়া সামগ্ৰীৰে বিজ্ঞান শিক্ষক প্ৰাঞ্জল হাজৰিকাই বিজ্ঞানাগাৰতছাত্ৰ-ছাত্ৰীক বিজ্ঞান দিৱসক লৈ বিশেষ পাঠদান প্ৰদান কৰে। শিক্ষক প্ৰাঞ্জল হাজৰিকাই সুন্দৰকৈ বিজ্ঞানৰ প্ৰতিটো ক্ৰিয়া-প্ৰতিক্ৰিয়া উপস্থাপন কৰি ছাত্ৰ-ছাত্ৰীসকলক সহজভাৱে বিজ্ঞান বিষয়ত পাঠদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলে সহজভাৱে বিজ্ঞান সম্পৰ্কে জ্ঞান অৰ্জন কৰি আনন্দিত হয়। প্ৰতিদিনে সহবিদ্যায়তনিক ভাৱে বিজ্ঞানাগাৰত ছাত্ৰ-ছাত্ৰীসকলে কৰি আহিছে চৰ্চা।

## সংগঠন বিৰোধী কাৰ্যত লিপ্ত সুনোধৰ ৰায়ক অব্যাহতি

# ৰাজনৈতিক পাশা খেলত বন্দী নহ'বলৈ ৰাইজক আহ্বান আক্ৰাছুৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২৮ ফেব্ৰুৱাৰীঃ** বহুধা বিভক্ত সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাক একত্ৰিত কৰাৰ বাবে লোৱা পদক্ষেপক মষিমূৰ কৰাৰ বাবে গভীৰ ষড়যন্ত্ৰত লিপ্ত হোৱা চক্ৰক কেতিয়াও প্ৰশ্ৰয় দিয়া নহ'ব বুলি সকীয়াই দিয়ে কোচ-ৰাজবংশী ছাত্ৰ সন্থাই৷ আজি কোকৰাঝাৰৰ নাৰাবাৰীত থকা চিলাৰায় ভৱনত যুটীয়াভাৱে আয়োজিত এক সংবাদমেলত আক্ৰাছুৰ দুটা গোটৰ সভাপতি ক্ৰমে বলোৰাম বৰ্মন আৰু দ্বিপেন চন্দ্ৰ বৰ্মনে কয় যে চাৰিটা গোটত বিভক্ত হৈ থকা আক্ৰাছুক অতি শীঘ্ৰে একত্ৰিত কৰা হ'ব। ইয়াৰ বিপৰীতে এটা চক্ৰই বহুধাবিভক্ত ছাত্ৰ সংগঠনটো যাতে কোনোপধ্যেই একত্ৰিত হ'ব নোৱাৰে তাৰ বাবে গভীৰ ষড়যন্ত্ৰ কৰি আছে৷ ছাত্ৰ নেতাদ্বয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে আক্ৰাছুক একত্ৰিতকৰণ প্ৰক্ৰিয়া বাঞ্চাল কৰাৰ মূল খলনায়ক জনেই হৈছে কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মন৷ কেএচিখনক যেনেকৈ খেলিমেলিৰ সৃষ্টি কৰিছে তেনেকৈ আক্ৰাছুৰ দস্য গোকুল বৰ্মন৷ কেএচিখনক যেনেকৈ খেলিমেলিৰ সৃষ্টি কৰিছে তেনেকৈ আক্ৰাছুৰ নেতা একত্ৰিতকৰণ হ'লে গোকুল বৰ্মন ৰাজনৈতিক দপদপনি বন্ধ হোৱাৰ ভয়তে একত্ৰিতকৰণ যাতে নহয় তাৰ বাবে গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। বলোৰাম আক্ৰাছু গোটৰ সাধাৰণ সম্পাদক সুনোধৰ ৰায়, ক্ষীতিশ গোটৰ দুই নেতাপাৰ্থপ্ৰতীম বৰা আৰু কপিল দেৱ সিংহক ঢাল হিচাবে ব্যৱহাৰ কৰি নিজৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে উঠি পৰি লগা গোকুল বৰ্মন আৰু তেওঁৰ কোম্পানীক কেতিয়াও স্থান দিয়া নহব বুলি সকীয়াই দিয়ে৷ সংবাদমেলৰ পূৰ্বে আয়োজিত এক কাৰ্যনিৰ্বাহক সভাত সংগঠন বিৰোধী কাৰ্যত লিপ্ত হোৱাৰ বাবে সুনোধৰ ৰায়ক আজিৰে পৰা সাময়িকভাবে সংগঠনৰ পৰা অব্যাহতি দিয়াৰ সিদ্ধান্ত লোৱা বুলি জানিবলৈ দিয়ে নেতাদ্বয়ে৷ যোৱা ১০ ফেব্ৰুৱাৰীত আক্ৰাছুৰ চাৰিটা গোটৰ চিৰাং জিলাৰ বিজনীৰ আক্ৰাছুৰ কাৰ্যালয়ত পৃথক কমতা ৰাজ্য, জনজাতি কৰণৰ দাবীত গুৱাহাটীত এশ ঘন্টীয়া অনশনৰ কাৰ্যসূচীৰ লোৱা সিদ্ধান্ত মৰ্মে যোৱা ২১ ফেব্ৰুৱাৰীৰ পৰা চাৰিটা গোটেই অনশনত বহিছিল৷ কিন্তু ইয়াৰ বিপৰীতে সুনোধৰ ৰায়ে গোকুল বৰ্মনৰনেতৃত্বত অনশনস্থলীৰ গোপনে উক্ত নিশাই মন্ত্ৰী পিয়ুষ হাজৰিকাক সাক্ষাৎ কৰিবলৈ গৈছিল৷ উক্তদিনা সাক্ষাৎ নোপোৱাত পাছদিনা পুনৰ মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি উক্ত অনশন কাৰ্যসূচী হেনো অকল সভাপতি সকলেহে কৰিছে বুলি মন্ত্ৰীগৰাকীৰ আগত মিছা কথা অৱগত কৰিছিল৷ ইয়াৰোপৰি সুনোধৰ ৰায়ে পদবী হেৰুওৱাৰ ভয়ত পাৰ্থপ্ৰতীম বৰা আৰু কপিল দেৱ শৰ্মাক লগত লৈ গোকুল বৰ্মনৰ পাকচক্ৰত পৰি আক্ৰাছুৰ চৰিটা গোটৰ বিৰুদ্ধে আৰম্ভ কৰা কুটিল অভিসন্ধিত লিপ্ত হোৱা কাৰ্য কেতিয়াও সফল হব নিদিয়ে বুলি আজি স্পষ্টকৈ কয়৷ কালি সুনোধৰ ৰায়, পাৰ্থপ্ৰতীম বৰা আৰু কপিল দেৱ সিংহই গুৱাহাটী সংবাদমেল যোগে যিবোৰ বিবৃতি দিছে সেয়া কেতিয়াও বৈধ নহয় বুলি কয়৷ কোচ-ৰাজবংশী জাতিৰ বৃহত্তৰ স্বাৰ্থত কোচ-ৰাজবংশী সমাজৰ সকলো শ্ৰেণীকে কাৰো প্ৰৰোচনাত পৰি বিভাজিত হৈ ৰাজনৈতিক পাশাখেলত যাতে বন্দী নহয় তাৰ প্ৰতি সজাগ হবলৈ নেতাদ্বয়ে আহ্বান জনায় ৷ আজিৰ সংবাদমেলত দুয়োটা গোটৰ হেমন্ত বৰা কোচ, অনিল ৰায় প্ৰমুখ্যে ভালে কেইগৰাকী নেতা উপস্থিত আছিল৷

# উৰিয়ামঘাটত বিহু নাচৰ প্ৰশিক্ষণ

**ই-সংবাদ, সৰুপথাৰ, ২৮ ফেব্ৰুৱাৰীঃ** ১৬ মাৰ্চৰ পৰা উৰিয়ামঘাট প্ৰেছ ক্লাৱৰ উদ্যোগত দহ দিনীয়াকৈ বিহু প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ'ব৷ বিহু কৰ্মশালাক লৈ আজি উৰিয়ামঘাট ৰাজহুৱা ভৱন প্ৰাংগনত এখন সভা অনুষ্ঠিত হয়৷ সভাৰ উদ্দেশ্য বাখ্যা কৰে বিহু প্ৰশিক্ষণ পৰিচালনা সমিতিৰ সম্পাদক তথা উৰিয়ামঘাট প্ৰেছ ক্লাৱৰ সহকাৰী অজয় বিশ্বক সদস্য হিচাপে লৈ পৰিচালনা সমিতি গঠন কৰা হয়। মুখ্য প্ৰশিক্ষক হিচাপে ২০০৮ বৰ্ষৰ বিহু সম্ৰাজ্ঞী সম্পাদক উদ্বীপ বৰাই। বিহুৰ কৰ্মশালাৰ যোগেদি অসমীয়া সংস্কৃতিৰ প্ৰতি নৱ-প্ৰজন্মক অধিক আগ্ৰহী কৰা হ'ব বুলি কয় প্ৰেছ ক্লাৱৰ সম্পাদক ভূপেন শইকীয়াই৷ প্ৰতাপ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত পুতুল শৰ্মাক সভাপতি, অজয় কুমাৰ গগৈক কাৰ্যকৰি সভাপতি, উদ্বীপ বৰাক সম্পাদক, বিকাশ বৰা, মানিক বৰুৱা, সৰ্ব্বেশ্বৰ শইকীয়াক সহঃসম্পাদক, নাৰায়ণ শইকীয়াক কাৰ্যালয় সম্পাদক, পিংকু বৰা, ৰুহিনী গগৈ, ৰমেন শইকীয়া, তৰুণ কোঁৱৰ, সংগীতা বৰুৱাই বিহু নাচ আৰু ঢোলৰ ওজা জিতেন বৰাই ঢোল বাদনৰ প্ৰশিক্ষণ আগবঢ়াব বুলি জানিব পৰা গৈছে। প্ৰখ্যাত ঢোলৰ সম্ৰাট সোমনাথ বড়া, মণ্টু গোঁহাই, দুলু গগৈকৈ প্ৰমুখ্য কৰি বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। ইচ্ছুক প্ৰশিক্ষাৰ্থীক উৰিয়ামঘাট প্ৰতিভা (কানু) মেডিকেল হ'ল বা ৮০১১৭৫৮৪৪২, ৯৬৭৮৬৭৭৪৮৫ আৰু ৯৩৬৫৪৭২৪৪৬ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## উচিত বিচাৰ বিচাৰি মৃতদেহ লৈ দুলীয়াজান থানা ঘেৰাও

# পথ দুৰ্ঘটনাগ্ৰস্ত গৃহৰক্ষী জোৱানৰ মৃত্যু

**ই-সংবাদ, দুলীয়াজান, ২৮ ফেব্ৰুৱাৰীঃ** দুলীয়াজানৰ ডেইলী বজাৰত যোৱা ১৭ ফেব্ৰুৱাৰীত সংঘটিত এক দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন এজন যুৱকৰ আজি মৃত্যু হোৱাক কেন্দ্ৰ কৰি উত্তপ্ত হৈ পৰে দুলীয়াজান থানা। জানিব পৰা মতে, দুলীয়াজানৰ প্ৰাগজ্যোতিষ নগৰ নিৱাসী ললিত গগৈ নামৰ গৃহৰক্ষী বাহিনীৰ জোৱানজনক অইল ইণ্ডিয়াত কৰ্মৰত অভিজিৎ ডেকা নামৰ এজন লোকে নিজৰ এ এছ ০৬ এছ ৭০০৫ নম্বৰৰ আই ২০ গাড়ীৰে তীব্ৰ বেগত পিছফালৰপৰা খুন্দা মৰাৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল স্কুটী আৰোহী জোৱানজন। ততাতৈয়াকৈ তেওঁক অইল ইণ্ডিয়া চিকিৎসালয়লৈ নিয়া হয় যদিও আঘাত গুৰুতৰ হোৱাতডিব্ৰুগড়ৰ এখন ব্যক্তিগত নাৰ্ছিংহোমত ভৰ্তি কৰোৱা হয়। তাত ১০ দিন চিকিৎসাৰ অন্তত যোৱা ২৭ ফেব্ৰুৱাৰীত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ চিকিৎসাৰ বাবে নিয়া হয় যদিও পিছৰ দিনাই অৰ্থাৎ আজি পুৱা প্ৰায় ৮ বজাত জোৱানজনৰ মৃত্যু হয়। ইফালে, এই খবৰ লাভ কৰা মাত্ৰেই দুলীয়াজানৰ প্ৰাগজ্যোতিষ নগৰৰ আৱাসীসকল উত্তেজিত হৈ পৰে। অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰপৰা মৰণোত্তৰ পৰীক্ষাৰ অন্তত আজি সন্ধিয়া প্ৰায় ৭ বজাত জোৱানজনৰ মৃতদেহ আহি পোৱাত দুলীয়াজান থানাৰ সন্মুখত মৃতদেহটো ৰাখি স্থানীয় লোকে ললিত গগৈৰ মৃত্যুৰ উচিত তদন্ত বিচৰাৰ লগতে অভিযুক্ত অভিজিৎ ডেকাৰপৰা ক্ষতিপূৰণ দাবী কৰি অভিজিৎ ডেকাকথানালৈ মাতি আনিবলৈ আৰক্ষীক দাবী কৰে। উচিত বিচাৰ নাপালে মৃতদেহটো অভিজিৎ গগৈৰ বাসগৃহত জ্বলাই দিয়াৰ হুংকাৰ দিয়ে ৰাইজে। পৰিস্থিতি অৱনতি ঘটাৰ আশংকা কৰি দুলীয়াজান থানাৰ সন্মুখত নিৰাপত্তাৰক্ষী মোতায়েন কৰা হয়। বাতৰি লিখা পৰলৈকে ডিব্ৰুগড় সদৰৰ উপ-আৰক্ষী অধীক্ষক তৰুণ কুমাৰ মেধি আৰু টেঙাখাট ৰাজহ চক্ৰৰ বিষয়া নিতুল খাটনিয়াৰ ঘটনাস্থলীত উপস্থিত হৈ দুলীয়াজান থানাৰ বিষয়া ভাস্কৰ শইকীয়াসহ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাই আছে।

# মোৰাঝাৰত নিৰ্মীয়মান পথত মাটিৰ পৰিৱৰ্তে জাৱৰ

**ই সংবাদ, মোৰাঝাৰ, ২৮ফেব্ৰুৱাৰীঃ** হোজাই জিলাৰ অতি ব্যস্ত মোৰাঝাৰ-দীঘলজাৰ গড়কাপ্তানি পথ নিৰ্মাণত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। ঠিকাদাৰে নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰি পথটো নিৰ্মাণ কৰি থকাৰ অভিযোগৰ পাছতে ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ। স্থানীয় বিধায়ক আৰু লোক নিৰ্মাণ বিভাগৰ অভিযন্তা-বিষয়াই নিৰীক্ষণ নকৰাৰ ফলতে পথটো নিজ ইচ্ছা মতে,ঠিকাদাৰে নিৰ্মাণ থকাৰ অভিযোগ আনিছে ৰাইজে। ৰাইজে প্ৰাককলন অনুসৰি পথটো নিৰ্মাণ কৰাৰ দাবী জনাইছে। জানিব পৰা মতে, অসমমালা আঁচনিৰ অধীনত মোৰাঝাৰ-দীঘলজাৰ গড়কাপ্তানি পথ নিৰ্মাণ কৰি থকা হৈছে। পথটো নিৰ্মাণৰ বাবে প্ৰায় এহেজাৰ কোটি টকা আৱণ্টন দিয়া বুলি জানিব পৰা গৈছে। কিন্তু পথটো নিৰ্মাণত ব্যাপকভাৱে অনিয়মৰ অভিযোগ উঠি আহিছে। পথটোনিৰ্মাণত পাহাৰীয়া মাটিৰ বিপৰীতে অনুপযোগী মাটি ব্যৱহাৰ কৰা হৈছে। পুখুৰী খান্দি জাৱৰ-জোঁথৰ মিহলি বোকা মাটি ৰাস্তাত দিয়া হৈছে। ঠিকাদাৰে বিধায়ক, বিষয়া, অভিযন্তাক মেনেজ কৰি টেক্টৰ, ড্ৰাম্পাৰেৰে তীব্ৰ গতিত কাম কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাইজে ঠিকাদাৰৰ এনে কাণ্ডক বিৰোধিতা কৰিছে। বিভাগীয় মন্ত্ৰী আৰু বিভাগীয় কৰ্তৃপক্ষক উচিত তদন্ত কৰি বিহিত ব্যৱস্থা লোৱাৰ বাবে দাবী জনাইছে ৰাইজে। অন্যথাই গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিছে ৰাইজে।

## বাঙালীপাৰা, ডোঙাৰগাঁও, শান্তিপুৰত দোঙৰ পানী সেৱন ৰাইজৰ

# ভাৰত-ভূটান সীমান্তত তৃষ্ণা নিবাৰণক লৈ হাহাকাৰ



**ভাৰত-ভূটান সীমান্তৰ পৰা পৱন নাথঃ** ভাৰত-ভূটান সীমান্তৰ নাগৰিকে বিশুদ্ধ পানী সেৱন কৰিবলৈ পোৱাটো এক সপোনহে মাথোঁ৷ সীমান্তৰ শ-শ পৰিয়ালে আজিও পাহাৰৰ পৰা বৈ অহা দোঙৰ পানীকে সেৱন কৰে৷ অযুত সমস্যাৰ মাজেৰে জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈছে ভাৰত-ভূটান সীমান্তৰ কেইবা শ পৰিয়ালে৷ বিটিচিৰ প্ৰমোদ বড়োৰ চৰকাৰে এই এলেকাসমূহৰ মৌলিক সমস্যা সমাধান কৰিবলৈ গুৰুত্ব প্ৰদান নকৰাকৈয়ে তিনিটা বছৰ পাৰ কৰিলে৷ কেৱল সামাজিক মাধ্যমত উন্নয়নৰ ফটা ঢোল কুবাই প্ৰমোদ বড়োৱে সময় পাৰ কৰিছে৷ কিন্তু ভাৰত ভূটান সীমান্তৰ নাগৰিকৰ মৌলিক সমস্যা সমাধানৰ বাবে কল্যাণমূলক আঁচনি ৰূপায়ন কৰে দেখা ন'গ'ল৷ অগপ, বিজেপি, ইউপিপিএল মিত্ৰদলৰ ৰাজ্যিক চৰকাৰেও একেই পন্থাৰে সীমান্তবাসীক প্ৰৱঞ্চনা কৰিছে৷ নিৰ্বাচনৰ সময়ত নানা প্ৰতিশ্ৰুতি দিছিল তিনিওটা দলে৷ কিন্তু বিগত বছৰ কেইটাত সীমান্তৰ নাগৰিকৰ জীৱন-ধাৰণৰ প্ৰণালী উন্নয়ন কৰিবলৈ একোকে নকৰিলে চৰকাৰখনে৷ কেৱল কেইটামান ৰাস্তা নিৰ্মাণ কৰি দায়িত্ব সামৰিছে৷ সীমান্তবাসীৰ বহু সমস্যা আছে যদিও দুটা সমস্যাৰ বাবে জীয়াই থকাটোৱে অসম্ভৱ হৈ পৰিছে৷ এটা হৈছে বিশুদ্ধ খোৱাপানী আৰু আনটো হৈছে হাতী-মানুহৰ সংঘাত৷ হাতী-মানুহৰ সংঘাত দূৰ কৰিব নোৱাৰাৰ লগতে বিশুদ্ধ খোৱাপানীৰ সমস্যা দূৰ কৰিব নোৱাৰিলে দুয়োখন চৰকাৰে৷ যাৰ বাবে পাহাৰীয়া নৈৰ পৰা বৈ অহা উপ-নৈ, দোং আদিৰ পানী সেৱন কৰি গৈছে সীমান্তবাসীয়ে৷ ৰাজ্য চৰকাৰ সীমামূৰীয়া অঞ্চলটোৰ উন্নয়ন প্ৰতিশ্ৰুতি পালনত সম্পূৰ্ণ ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন হৈছে৷ বিশেষকৈ তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ বৃহত্তৰ বাঙালীপাৰা, ডোঙাৰগাঁও, শান্তিপুৰ আদি এলেকাত বিশুদ্ধ খোৱাপানী, শিক্ষা, স্বাস্থ্য আদিৰ ক্ষেত্ৰত অভাৱ দূৰ হোৱা নাই৷ বিশেষকৈ প্ৰমোদ বড়োৰ গৃহ জিলাৰ বৃহত্তৰ বাঙালীপাৰা, ডোঙাৰগাঁও, শান্তিপুৰ ৰাজ্য চৰকাৰ আৰু বিটিআৰ চৰকাৰখনে বিশুদ্ধ খোৱাপানীযোগানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা নাই৷ বাঙালীপাৰা, ডোঙাৰগাঁও, শান্তিপুৰবাসীৰ বাবে দোঙৰ পানীয়েই এতিয়া শেষ ভৰসা। ২নং ডোঙাৰগাঁৱৰ শান্তিপুৰত জলজীৱন মিচনৰ আঁচনি ৰূপায়ন কৰা হৈছে যদিও পানী যোগানত বিফল হৈছে। ফলত বৰনদীৰ পৰা বোৱাই অনা দোঙৰ পানী সেৱন কৰি গৈছে নাগৰিকে। পানী সেৱন কৰাৰ ফলত প্ৰায়ে ৰোগত আক্ৰান্ত হয় শিশুৰ পৰা বৃদ্ধলৈকে। দোঙেৰে বৈ অহা পানী কেতিয়াবা পৰিস্কাৰ আকৌ কেতিয়াবা ঘোলা পানীকেই সেৱন কৰি জীৱন নিৰ্বাহ কৰিছে ৰাইজে৷ তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰীৰ লগতে বিটিআৰৰ নাগ্ৰীজুলি সমষ্টিৰ এমচিএলএ ধৰ্মনাৰায়ণ দাসেও সকলো দেখি চকুমুদা কুলিৰ ভাও ধৰিছে৷ পৰিৱৰ্তনৰ নামত লৈ ভোট লৈ প্ৰতিনিধিসকল ভিআইপিত পৰিণত হ'ল৷ বিধায়ক, এমচিএলএ হৈ সীমান্তৰ ৰাইজৰ খবৰ লবলৈ আহৰি নোপোৱা হ'ল৷ নিৰ্বাচনৰ পাছতেই সম্ভ্ৰান্ত হৈ পৰা এইসকল জনপ্ৰতিনিধিয়ে হিন্দু-মুছলমানক লৈ ৰাজনীতি কৰাত ব্যস্ত হৈ পৰিছে৷ কিন্তু সীমান্তবাসীয়ে এটুপি বিশুদ্ধ পানীৰ বাবে যে হাহাকাৰ কৰিব লগা হৈছে সেয়া নেদেখে৷ বটলৰ মিনাৰেল ৱাটাৰহে সেৱন কৰা বিধায়ক, এমচিএলএ-এ খোৱা পানীৰ সমস্যাৰ কথা অনুধাৱন কৰিবলৈ সক্ষম হোৱা নাই৷

# বাইহাটা চাৰিআলিত দিন ডকাইতি ব্যক্তিগত হাস্পতালৰ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৮ ফেব্ৰুৱাৰীঃ** কোৰোণাৰে ধন চপাইছে বাইহাটা চাৰিআলিৰ ব্যক্তিগত খগুৱ অ'ভেল হাস্পতালে৷ এটা পৰিয়ালক দেউলীয়া কৰাৰ পাছতে অ'ভেল হাস্পতালত চিকিৎসাৰ বাবে নাহিবলৈ কাতৰ আহ্বান জনাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ গৃহ সমষ্টিৰ ৰোগীৰ পৰিয়ালে৷ অ'ভেল হাস্পতাল কৰ্তৃপক্ষই ৰোগীক অপাৰেচন নকৰাকৈয়ে অপাৰেচনৰ নামত মোটা অংকৰ ধন আদায় কৰাৰ অভিযোগ উত্থাপন হৈছে৷ বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত গোগ গাঁৱৰ মজনুৰ আলীৰ পত্নী ৰেজিয়া বেগমৰ পেটৰ বিষ অনুভৱ হোৱাত ২৭ ডিচেম্বৰত বাইহাটা চাৰিআলি অ'ভেল হাস্পতালত ভৰ্তি কৰে৷ অ'ভেল কৰ্তৃপক্ষই ৰেজিয়া বেগমক পৰীক্ষা-নিৰীক্ষা কৰি গল্ড ব্লাডাৰ আৰু পিত্তনলীত পাথৰ হোৱা বুলি পৰিয়ালক অৱগত কৰে৷ পৰীক্ষা-নিৰীক্ষাৰ খৰচক বাদ কৰি আয়ুষ্মানসহ অপাৰেচনৰ বাবদ অতিৰিক্ত ১৯,৬০০ টকা আগতীয়াকৈ জমা দিবলৈ আহ্বান জনায়৷ সেইমৰ্মে ৰেজিয়া বেগমৰ পৰিয়ালে প্ৰায় ১০ হাজাৰ টকা আৰু অপাৰেচনৰ নামত আয়ুষ্মানসহ ১৯,৬০০ টকা কেচ কাউন্টাৰত জমা দিয়ে৷ ২৮ ডিচেম্বৰৰ সন্ধিযা অপাৰেচন থিয়েটাৰলৈ ৰেজিয়া বেগমক লৈ যোৱা হয়৷ চিকিৎসকে গল্ড ব্লাডাৰ অপাৰেচনৰ বাবে ফুটা কৰি ৰেজিয়াৰ পৰিয়ালক কেন্সাৰ ফৰ্ম হোৱা বুলি অৱগত কৰে আৰু অপাৰেচন কৰিব পৰা নাযায় বুলি জানিব দিয়ে। দহ হাজাৰ টকাৰ পৰীক্ষা নিৰীক্ষা কৰাৰ পিছতো গল্ড ব্লাডাৰত কেন্সাৰ হোৱা বিষয়তো ফুটা কৰাৰ আগলৈ কিয় ধৰা নপৰিল সেয়াও ৰহস্যৰ বিষয়৷ বাইঅ'প্সি পৰীক্ষাৰ বাবে নমুনা লৈ পিছদিনা ২৯ ডিচেম্বৰত ৰেজিয়া বেগমক চিকিৎসালয়ৰ পৰা ঘৰলৈ যাব দিয়া হয়৷ কিন্তু অপাৰেচনৰ নামত অ'ভেল কৰ্তৃপক্ষই লোৱা ১৯,৬০০ টকাৰ এটকাও ৰেজিয়া বেগমৰ পৰিয়ালক ওভতাই নিদিলে। চিকিৎসালয়খনৰ স্বত্বাধিকাৰী ৰেডিঅলজিষ্ট কৌশিক শৰ্মাই নিয়মমতে আৰু ৬ হাজাৰ টকা ৰেজিয়া বেগমৰ পৰিয়ালে হাস্পতাল কৰ্তৃপক্ষক আদায় দিবহে লাগে বুলি অৱগত কৰে৷ ৰেজিয়া বেগমক দুনিশা ৰখা হৈছিল চেমি কেবিনত৷ যাৰ ভাড়া আছিল এদিনত ২৮০০ টকা। চিকিৎসাৰ নামত দিয়া হৈছিল দুটা চেলাইন আৰু দুদিনৰ ইনচুলিন৷ তাৰ বিপৰীতে আয়ুষ্মানখন সক্ৰিয় কৰাৰ উপৰিও কিহৰ বিনিময়ত লোৱা হল ১৯,৬০০ টকা? অ'ভেল কৰ্তৃপক্ষই অৱগত কৰিছিল সাধাৰণতে গল্ড ব্লাডাৰ অপাৰেচনত আয়ুষ্মাণ থাকিলে পৰীক্ষা-নিৰীক্ষা আৰু ঔষধপাতিক বাদ কৰি ১১ৰ পৰা ১২ হেজাৰ টকা খৰছ হয়৷ কিন্তু ৰেজিয়া বেগমৰ যিহেতু পিত্তনলীতো পাথৰ আছে গতিকে ৰেজিয়া বেগমৰ ক্ষেত্ৰত আয়ুষ্মানসহ ১৯,৬০০ টকা খৰছ হ'ব৷ ৰেজিয়া বেগমৰ অপাৰেচন যিহেতু কৰাই নহল তেওঁলোকে অপাৰেচনৰ বাবে আদায় লোৱা ১৯,৬০০ টকা উভতাই দিব লাগিছিল৷ আয়ুষ্মান কাৰ্ডখন যে সক্ৰিয় কৰা হল তাৰপৰা তেওঁলোকে কিমান পালে সেইটোও তেওঁলোকে ৰেজিয়া বেগমৰ পৰিয়ালক অৱগত নকৰিলে৷ তাৰ বিপৰীতে অ'ভেল কৰ্তৃপক্ষৰ হৈ কেইবাজনেও উত্তৰ দি ৬ হাজাৰমান কভাৰ কৰিব, কোনোবা জনৰমতে ৯ হাজাৰ আৰু কোনোবা জনৰমতে এটকাও কভাৰ নকৰে৷ অথচ আয়ুষ্মানখন এপ্ৰুভ নোহোৱালৈকে চিকিৎসালয়খনৰ পৰা ৰিলিজ দিয়া হোৱা নাছিল ৰেজিয়া বেগমক৷ আয়ুষ্মান কাৰ্ডৰ পৰা ধন লাভ কৰাটো স্পষ্ট৷ চিকিৎসালয়খনৰ এনে কৰ্মকাণ্ডৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তদন্ত কৰাৰ দাবী জনাইছে দুৰ্ভগীয়া পৰিয়ালটোৱে৷

# পুত্ৰ-পত্নীৰ হত্যাৰ মূল অভিযুক্ত জগদীশক গ্ৰেপ্তাৰ

**ই সংবাদ, নলবাৰী, ২৮ ফেব্ৰুৱাৰীঃ** অৱশেষত গ্ৰেপ্তাৰ নলবাৰী বৰসৰকুছিৰ ডব'ল মাৰ্ডাৰ ঘটনাৰ মূল অভিযুক্ত। বুধবাৰে আলিপুৰ দুৱাৰৰ পৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে জগদীশ হালৈক। পুত্ৰ আৰু পত্নীক হত্যা কৰাৰ অভিযোগ তেওঁৰ বিৰুদ্ধে। অভিযোগ অনুসৰি জগদীশ হালৈয়ে গামোচাৰে মেৰিয়াই হত্যা কৰিছিল পত্নী কবিতা হালৈ আৰু পুত্ৰ হৃষিকেশ কাশ্যপক। পোন্ধৰ বছৰীয়া হৃষিকেশ কাশ্যপক লৈ মানসিক চাপত আছিল জগদীশ হালৈ। উল্লেখ্য যে পুত্ৰ হৃষিকেশ কাশ্যপ আছিল বিশেষভাৱে সক্ষম। আৰক্ষীৰ প্ৰাথমিক তদন্তত পোহৰলৈ আহিছে যে, ১৮ ফেব্ৰুৱাৰীৰ সন্ধিয়া পত্নীৰ সৈতে পুত্ৰ হৃষিকেশৰ জন্মদিন পালন কৰিছিল জগদীশ হালৈয়ে। সেইদিনা নিশাই পত্নী-পুত্ৰক হত্যা কৰি মৃতদেহৰ সৈতে নিশা কটাইছিল জগদীশে। পিছদিনা পুৱা পলায়ন কৰি জগদীশ হালৈয়ে বাহৰ পাতিছিল আলিপুৰ দুৱাৰত। অৱশেষত জগদীশৰ ভাতৃ তপন হালৈৰ ফোন টেপিঙৰ ভিত্তিত নলবাৰী আৰক্ষীয়ে আলিপুৰ দুৱাৰৰ এখন হোটেলৰ পৰা কৰায়ত্ত কৰে জগদীশ হালৈক। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অব্যাহত ৰাখিছে তদন্ত

# বিলাসীপাৰাত ভাৰতীয় সেনা জোৱানৰ অকাল বিয়োগ

**ই সংবাদ, ২৮ ফেব্ৰুৱাৰীঃ** ভাৰত মাতৃৰ হকে সেৱা আগবঢ়োৱা এজন ভাৰতীয় সেনা জোৱানৰ অকাল বিয়োগত মৰ্মাহত সমগ্ৰ বিলাসীপাৰা। বিলাসীপাৰাৰ সাপটগ্ৰাম শান্তিপুৰ গাঁৱৰ বাসিন্দা জয়কান্ত দাসৰ পুত্ৰ ভাৰতীয় সেনা বাহিনীৰ জোৱান দেৱজিৎ দাসৰ অকাল বিয়োগৰ খবৰে মৰ্মাহত কৰি তুলিছে সমগ্ৰ অঞ্চল।দেশ মাতৃৰ হকে জীৱন উচৰ্গা কৰা সেনা জোৱান দেৱজিৎ দাসক মঙলবাৰে নিশা সামৰিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়। সৰুৰে পৰা দেশ মাতৃৰ হকে সেৱা কৰাৰ মনোভাৱ লৈ ডাঙৰ হোৱা দেৱজিৎ দাসে ২০০৫ চনৰ ১৪ মাৰ্চত ভাৰতীয় সেনা বাহিনীৰ ১১৯ নং ইউনিফ্ৰেন্ট ইউনিটতযোগদান কৰিছিল। সেনা বাহিনীত যোগদান কৰি জম্মু কাশ্মীৰত সন্ত্ৰাসবাদৰ হকে যুঁজ দি আহি শেহতীয়া কৈ ছত্তিশগড়ত নিযুক্ত হয়। যোৱা ১৭ ফেব্ৰুৱাৰীত ছত্তিশগড় সেনা শিৱিৰৰ পৰা ২৮ দিনৰ ছুটি লৈ নিজ গৃহ শান্তিপুৰত উপস্থিত হৈছিল যুৱকজন। ঘৰত থকা অৱস্থাতে যোৱা ২৫ ফেব্ৰুৱাৰীত হঠাতে অসুস্থ হৈ পৰাত সেনা জোৱান জনক কোকৰাঝাৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে । কিন্তু স্বাস্থ্যৰ অধিক অৱনতি ঘটাতসিদিনাই বঙাইগাঁওৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰে। বঙাইগাঁৱত চিকিৎসাধীন হৈ অৱস্থাত সোমবাৰে শেষ নিশ্বাস ত্যাগ কৰে যুৱকজনে। তাৰ পিছতে মৃতদেহ ঘৰলৈ অনা হয় যদিও এই খবৰ পাই সেনা বাহিনীৰ উচ্চ পদস্থ বিষয়াৰ লগতে সেনা জোৱানৰ দল এটাই প্ৰয়াত দেৱজিৎ দাসৰ ঘৰত উপস্থিত হৈ সম্পূৰ্ণ সামৰিক মৰ্যদাৰে সেনা দাসক অন্তিম শ্ৰদ্ধাঞ্জলি জনায়।

## মৰিগাঁও জিলাৰ নৈপৰীয়া ৰাইজৰ বাবে বৃহৎ সকাহ

# অচিৰেই আৰম্ভ হ'ব খহনীয়া প্ৰতিৰোধী জিঅ' বেগৰ কাম

**ই-সংবাদ, লাহৰীঘাট, ২৮ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ ব্যাপক খহনীয়াপ্ৰৱন লাহৰীঘাট, মায়ং আৰু ভূৰাগাঁও ৰাজহ চক্ৰৰ নৈপৰীয়া ৰাইজৰ বাবে সুখবৰ! জিলাখনত ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংক চমুকৈ এডিবিৰ ২৫০ কোটি টকা অৰ্থসাহায্যৰে নিৰ্মাণ কৰিবলগীয়া জিঅ'বেগ প্ৰকল্পৰ কাম অচিৰেই আৰম্ভ হ'ব। যোৱা ২৬ ফেব্ৰুৱাৰীত এডিবিৰ শীৰ্ষস্থানীয় দল এটাই মৰিগাঁও আৰত্ত ভৱনত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, জলসম্পদ বিভাগৰ ৰাজ্যিক পৰ্যায়ৰ শীৰ্ষ বিষয়া আৰু জিলা পৰ্যায়ৰ বিষয়াসকলৰ সৈতে এই সন্দৰ্ভত আলোচনা কৰে। "জলবায়ু অনুকূল ব্ৰহ্মপুত্ৰৰ সংহত বান আৰু খহনীয়াৰ আশংকা ব্যৱস্থাপনা কাৰ্যসূচী- প্ৰথম পৰ্যায়" শীৰ্ষক এই প্ৰকল্পই সামৰি ল'বলগীয়া ভূৰাগাঁও, লাহৰীঘাট আৰু মায়ং ৰাজহ চক্ৰৰ কাঠনি, টেঙাগুৰি, বৰহলৌকান্দা, কপটিমাৰী, গৰুবন্ধা আদি অঞ্চল পৰিদৰ্শন কৰি দলটোৱে জিঅ' বেগ প্ৰকল্পৰ সম্ভাব্য ফলপ্ৰসুতা আৰু বিভিন্ন দিশ পৰ্যবেক্ষণ কৰে। মৰিগাঁও জিলাৰ জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা লোচন চৌধুৰীয়ে জনোৱা মতে অতি শীঘ্ৰেই এই প্ৰকল্পৰ কাম আৰম্ভ কৰিব পৰা যাব। ইতিমধ্যে নিবিদা আহ্বান প্ৰক্ৰিয়াৰ লগতে যোগানৰ ক্ষেত্ৰত এল অ' এ (Letter of Offer and Acceptance) জাৰি কৰা হৈছে আৰু সামান্য আনুষ্ঠানিকতা সম্পূৰ্ণ হ'লেই এই প্ৰকল্প আৰম্ভ কৰিব পৰা যাব। এডিবিৰ জ্যেষ্ঠ জলসম্পদ বিশেষজ্ঞ অলিভিয়া ড্ৰিউৰ নেতৃত্বত অহা দলটোত আছিল এডিবিৰ শীৰ্ষ বিষয়া হাৰ্ব ৰেইব, ৰাছেল মেণ্ডিন্যুটো, নিলুফাৰ ছাডেগী আৰু ছুহেইল মজুমদাৰ। আনহাতে দলটোত "অসম বান আৰু নদীৰ খহনীয়া ব্যৱস্থাপনা সংস্থা"ৰ তৰফৰ পৰা উপ-মুখ্য কাৰ্যবাহী বিষয়া দ্বীপ পেগু আৰু সংস্থাৰ বিষয়া ভাস্কৰজ্যোতি দাস, অমৰজ্যোতি চেতিয়া আৰু ৰূপাংকৰ চৌধুৰীৰ লগতে জলসম্পদ বিভাগৰ ইএপি শাখাৰ অতিৰিক্ত মুখ্য অভিযন্তা ৰাজীৱ গোস্বামী আৰু কেইবাগৰাকীও বিষয়া উপস্থিত আছিল। উল্লেখ্য যে এই প্ৰকল্প ৰূপায়নৰ বাবে ইতিমধ্যে ২৫০ কোটি টকা অনুমোদন হৈছে। প্ৰকল্পটো ৰূপায়ন হ'লে তিনিওটা ৰাজহ চক্ৰৰ ১৫ খন গাঁও প্ৰত্যক্ষভাৱে আৰু অৰ্ধশতাধিক গাঁও পৰোক্ষভাৱে উপকৃত হ'ব। তাৰ ভিতৰত লাহৰীঘাট ৰাজহ চক্ৰৰ অধীনৰ কাঠনি, বগলীপাৰা আৰু পামবৰি, ভুৰাগাঁও ৰাজহ চক্ৰৰ অধীনৰ দীঘলীআটি, বৰহলৌকান্দা, বতাবাৰী, বালিডোঙাপাম, ভুৰাগাঁও ৰাজহ নগৰ, মহমাৰীপথাৰ, কপটিমাৰি আৰু টেঙাগুৰিকা চাৰিগাঁও আৰু মায়ং ৰাজহ চক্ৰৰ পাভকাটি, গৰুবন্ধা, বৰামাৰি গাঁও আৰু বৰমাৰি পাম গাঁও প্ৰত্যক্ষভাৱে উপকৃত হ'ব।

# জয়া গগৈ মহাবিদ্যালয়ত পুৰণি কাপোৰ সংগ্ৰহ-বিতৰণ

**ই-সংবাদ, খুমটাই, ২৮ ফেব্ৰুৱাৰীঃ** গোলাঘাট জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান খুমটাই জয়া গগৈ মহাবিদ্যালয়ত আজি পুৰণি কাপোৰ সংগ্ৰহ-বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। শিক্ষকৰ মহিলা কোষৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান মূল্যায়ন কোষৰ সহযোগত ব্যৱহাৰৰ উপযোগী পুৰণি কাপোৰ সংগ্ৰহ আৰু বিতৰণৰ কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অমিয় কুমাৰ দাসে উদ্বোধনী ভাষণত মহৎ কাম কৰা বুলি শলাগ লৈ এটা কক্ষ আৰু আলমাৰি প্ৰদান কৰে। সভাত আভ্যন্তৰীণ মান মূল্যায়ণ কোষৰ সমন্বয়ক তথা সহযোগী অধ্যাপক ৰঞ্জন কুমাৰ নাথে এই কাৰ্যসূচীক প্ৰশংসা কৰি দুখীয়া লোকক সহায়ৰ হাত আগবঢ়াই সমাজ কল্যাণৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে বুলি মন্তব্য কৰে। মহিলা কোষে দুখীয়ালোকৰ সাহায্যৰ্থে মহাবিদ্যালয়ৰ এটা গৃহত পুৰণি ব্যৱহাৰৰ যোগ্য কাপোৰ সংগ্ৰহৰ ব্যৱস্থা কৰে। প্ৰয়োজন অনুসৰি সেই কাপোৰ দুখীয়া লোকে সংগ্ৰহ কৰিব পাৰিব বুলি মহিলা কোষৰ আহ্বায়িকা তথা সহযোগী অধ্যাপিকা ড০ অৰ্চনা শইকীয়াই অৱগত কৰে। কোনো ব্যক্তিয়ে ইচ্ছা কৰিলে মহাবিদ্যালয়ৰ মহিলা কোষৰ হাতত তেখেতসকলৰ পুৰণি কাপোৰ জমা দিব পাৰিব। অধ্যাপিকা গীতাশ্ৰী দেৱী, গ্ৰন্থগাৰীক ড০ দীপা বৰুৱা, সহযোগী অধ্যাপিকা ড০ আচফি বেগম আৰু ড০ অৰ্চনা শইকীয়াই মহিলাকোষক একোটাকৈ কাপোৰৰ টোপোলা আগবঢ়াই। সভাতে এজন কাপোৰৰ প্ৰয়োজন হোৱা ব্যক্তিক শৈক্ষিক উপাধ্যক্ষা জ্যোতিৰেখা গগৈয়ে কাপোৰ বিতৰণ কৰে।

# ভোলাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ প্ৰস্তুতি

**ই-সংবাদ, ২৮ ফেব্ৰুৱাৰীঃ** ১৯৭৪ চনত ভাৰত-ভূটান সীমান্তত স্থাপিত ভোলাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় ৫০ বছৰীয়া হ'ল। অবিভক্ত কামৰূপ জিলাৰ তথা বৰ্তমানৰ তামুলপুৰ জিলাৰ অন্তৰ্গত ভোলাঝাৰ উপৰখুটিত স্থাপিত ভোলাঝাৰ অঞ্চলৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ ভোলাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ৫০ বছৰ গঢ়কাত মহাধুমধামেৰে সোণালী জয়ন্তী পালনৰ প্ৰস্তুতি চলোৱা জানিব পৰা গৈছে। অহা ২৯, ৩০ আৰু ৩১ মাৰ্চত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্য-ক্ৰমণিকাৰে বিদ্যালয়ৰ সোণালী জয়ন্তীৰ ব্যাপক আয়োজন কৰা হৈছে। শেষ প্ৰসাদ উপাধ্যায়ক সভাপতি আৰু দুৰ্গা প্ৰসাদ বজগাঁইক মুখ্য সম্পাদক হিচাপে লৈ কেইবাখনো উপ-সমিতিৰে সোণালী জয়ন্তী উদযাপন সমিতি গঠন কৰা হৈছে। অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলাৰ বাবে দিনে-নিশাই ব্যাপক প্ৰস্তুতি চলাই থকা পৰিলক্ষিত হৈছে। গৌৰৱোজ্বল পঞ্চাশটা বৰ্ষ অতিক্ৰম কৰাত বিদ্যালয়খনৰ পঞ্চাশ বছৰৰ ইতিহাস আৰু সোণালী জয়ন্তীৰ শুভক্ষণক যুগমীয়া কৰাৰ মানসেৰে ভোলাঝাৰ অঞ্চলবাসী ৰাইজে তৎপৰতা আৰম্ভ কৰিছে। সোণালী জয়ন্তী অনুষ্ঠানত গৌৰৱোজ্বল সময়খিনিক স্মৰণ-কীৰ্তনেৰে সাফল্যমণ্ডিত কৰিবলৈ ৰাইজৰ পৰামৰ্শ আৰু সহায় সহযোগিতা কামনা কৰিছে সোণালী জয়ন্তী উদযাপন সমিতিয়ে।

# লাহৰীঘাটত মহিলাসহ তিনি ড্ৰাগছ সৰবৰাহকাৰী আটক

**ই-সংবাদ, লাহৰীঘাট, ২৮ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাত ড্ৰাগছ বিৰোধী অভিযান অব্যাহত আছে। জিলাখনৰ লাহৰীঘাট, মৈৰাবাৰী, ভেলৌগুৰি আৰু ভুৰাগাঁৱত নিষিদ্ধ ড্ৰাগছ, গাঁজা, নিচাজাতীয় দ্ৰব্যৰ প্ৰচলন অব্যাহত থকাৰ মাজতে আৰক্ষীয়ে কঠোৰ অভিযান অব্যাহত ৰাখিছে। মঙলবাৰে নিশা লাহৰীঘাট আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি টেঙাগুৰি বজাৰৰ সমীপত আবুল কাছেমৰ ঘৰত অভিযান চলাই। অভিযানকালত তিনি ড্ৰাগছ সৰবৰাহকাৰী আবুল কাছেম, মমিনুল হক আৰু মোকছিনা বেগমক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মোকছিনা বেগম আৰু আবুল কাছেম স্বামী-স্ত্ৰী। ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা ড্ৰাগছ ভৰ্তি দুটা চাবোনৰ বাকচ আৰু ১৪০টা খালি কণ্টেইনাৰ জব্দ কৰে আৰক্ষীয়ে।

## শেষ পৃষ্ঠা

# সন্তোষত অসমৰ পৰাজয়



**নাহৰলাগুণ, ২৮ ফেব্ৰুৱাৰীঃ** সন্তোষ ট্ৰফীৰ গ্ৰুপ 'এ'ৰ এখন খেলত আজি চাৰ্ভিছেছৰ হাতত পৰাস্ত হয় অসম। শক্তিশালী দলটোৰ বিৰুদ্ধে অসমে ২-০ গ'লত হাৰ। খেলখনৰ প্ৰথম আৰ্ধৰ অন্তিম মুহূৰ্তত এক গ'লত পিছ পৰি ৰোৱা অসমে দ্বিতীয় আৰ্ধৰ আৰম্ভণিতে দ্বিতীয়টো গ'ল হজম কৰিব লগীয়া হয়। ইয়াৰ পিছত চাৰ্ভিছেছ দলে অসমক কোনো সুযোগ প্ৰদান নকৰিলে। আজিৰ পৰাজয়ৰ ফলত নক-আউট পৰ্যায়লৈ আগবঢ়াটো অসমৰ এক প্ৰকাৰ অসম্ভৱ হৈ পৰিল।

# সভাপতি পদত দেৱেন্দ্ৰ

**নতুন দিল্লী, ২৮ ফেব্ৰুৱাৰীঃ** পেৰালিম্পিকত দুবাৰকৈ স্বৰ্ণপদক জয় কৰা খেলুৱৈ দেৱেন্দ্ৰ জাজৰীয়াই ভাৰতীয় পেৰালিম্পিক কমিটিৰ সভাপতি পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। দেৱেন্দ্ৰই ২০০৪ চনৰ এথেন্স আৰু ২০১৬ চনৰ ৰিঅ' অলিম্পিকত সোনৰ পদক জয় কৰিছিল। তেওঁ ২০২১ চনৰ টকিঅ' অলিম্পিকতো ৰূপৰ পদক জয় কৰিছিল। তেওঁ ভাৰতীয় পেৰালিম্পিক কমিটিৰ সভাপতি পদত প্ৰতিদ্বন্দ্বীতা আগবঢ়োৱাত পেৰা এথলেট সকলৰ মাজত উৎসাহ বৃদ্ধি কৰিছে।




# ধুবুৰী সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী আঠৱালেৰ আৰপিআই দলে কৰিব প্ৰতিদ্বন্দ্বিতা

**ই সংবাদ, ২৮ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনত ধুবুৰী সমষ্টিত প্ৰাৰ্থী দিব কেন্দ্ৰীয় মন্ত্ৰী ৰামদাস আঠৱালেৰ ৰিপাব্লিকান পাৰ্টি অৱ ইণ্ডিয়াই। আজি এই কথা ঘোষণা কৰিছে আৰপিআইৰ মুৰব্বী ৰামদাস আঠাৱালেয়ে৷ বিজেপিয়ে সমৰ্থন আগবঢ়ালে ধুবুৰী লোকসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ ঘোষণা কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। ধুবুৰীৰ সংখ্যালঘু আৰু পিছপৰা শ্ৰেণীৰ ভোটাৰৰ মাজত দলটোৱে উন্নত প্ৰদৰ্শন কৰিব বুলি দাবী কৰে আঠাৱালেয়ে। শীঘ্ৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হ'ব বুলি উল্লেখ কৰে ৰামদাস আঠাৱালেয়ে। ৰামদাস আঠাৱালেয়ে কয় যে লোকসভা নিৰ্বাচনত আমি মহাৰাষ্ট্ৰত দুখন, উত্তৰ প্ৰদেশত দুখন আৰু অসমত এখন আসন বিচাৰিছো। যদি বিজেপিয়ে ধুবুৰীত প্ৰাৰ্থী প্ৰক্ষেপ নকৰে, তেন্তে সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা আগবঢ়াম। বৰ্তমান ধুবুৰী আসন ইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলৰ হাতত আছে। ৰামদাস আঠাৱালেয়ে কয় যে আজমলে কেইবাবাৰো ধুবুৰী আসনত জয়ী হৈছে৷ কিন্তু এইবাৰ আৰপিআই দলে জয়লাভ কৰিব। ধুবুৰীৰ আসনৰ পৰা আৰপিআইৰ প্ৰাৰ্থী হিচাপে ৰেজাউল কৰিমক প্ৰক্ষেপ কৰিব বুলিও আঠাৱালেয়ে প্ৰকাশ কৰে। ৰামদাস আঠাৱালেয়ে আৰু কয় যে ৰেজাউল কৰিম সংখ্যালঘু নেতা। ৰাজ্যিক সংখ্যালঘু ফ্ৰণ্টৰ মুৰব্বী। সেয়েহে ধুবুৰীত প্ৰাৰ্থিত্ব প্ৰদান কৰিব বিচাৰো। মই হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰিম। আৰপিআয়ে এখন আসন পোৱা উচিত বুলিও কয় ৰামদাস আঠাৱালেয়ে৷




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান